সম্পত্তিৰ আপৰাধিক অনুপ্ৰবেশৰ বা অপকৰ্মৰ বিৰুদ্ধে ব্যক্তিগত প্ৰতিৰক্ষাৰ অধিকাৰ যিমান সময়লৈ চলি থাকে সিমান সময় অপৰাধীজনে আপৰাধিক অনুপ্ৰবেশ বা অপকৰ্মৰ সংঘটন চলাই থাকে।

সম্পত্তিৰ ৰাত্ৰি গৃহেভেদনৰ বিৰুদ্ধে ব্যক্তিগত প্ৰতিৰক্ষাৰ অধিকাৰ যিমান সময়লৈ চলি থাকে, সিমান সময়লৈকে এনে গৃহভেদনৰ দ্বাৰা আৰম্ভ হোৱা গৃহ অনুপ্ৰৱেশ চলি থাকে।

**মাৰাত্মক অভ্যাঘাতৰ বিৰুদ্ধে ব্যক্তিগত প্ৰতিৰক্ষাৰ অধিকাৰ যেতিয়া নিৰ্দোষী ব্যক্তিৰ অনিষ্টৰ আশংকা থাকে।**

১০৬। যদি অভ্যাঘাতৰ বিৰুদ্ধে ব্যক্তিগত প্ৰতিৰক্ষাৰ অধিকাৰৰ প্ৰয়োগত যিটোৱে যুক্তিযুক্ত ভাৱে মৃত্যুৰ আশংকা জন্মায়, প্ৰতিৰক্ষকে তেনে পৰিস্থিতিত, যে তেওঁ সেই অধিকাৰ এজন নিৰ্দোষী ব্যক্তিৰ অনিষ্টৰ বিপদাশংকা বিনা ফলপ্ৰসু ভাৱে প্ৰয়োগ কৰিব নোৱাৰে, তেওঁৰ ব্যক্তিগত প্ৰতিৰক্ষাৰ অধিকাৰ সেই বিপদাশংকা লোৱালৈকে বিস্তাৰিত হয়।

**দৃষ্টান্ত**

"ক" এক উশৃঙ্খল জনতাৰ দ্বাৰা আক্ৰান্ত হৈছে যি তেওঁক হত্যা কৰিবলৈ প্ৰয়াস কৰে। তেওঁ উশৃঙ্খল জনতাৰ ওপৰত গুলীচালনা নকৰাকৈ তেওঁৰ ব্যক্তিগত প্ৰতিৰক্ষাৰ অধিকাৰ ফলপ্ৰসূভাৱে প্ৰয়োগ কৰিব নোৱাৰে, আৰু উশৃঙ্খল জনতাৰ লগত লগ হৈ থকা সৰু ল'ৰা ছোৱালীৰ অনিষ্ট কৰাৰ বিপদাশংকা বিনা গুলী চালনা কৰিব নোৱাৰে। "ক"ই কোনো অপৰাধ কৰা নাই যদিহে এনেদৰে গুলীচালনা কৰোতে লৰা ছোৱালীবোৰৰ কোনোটোৰ তেওঁ অনিষ্ট কৰে।

## অধ্যায় ৫

### অপপ্ৰেৰণাৰ বিষয়ে

কোনো কাৰ্য্যৰ অপপ্ৰেৰণা।

১০৭। কোনো ব্যক্তিয়ে কোনো কাৰ্য্য কৰাৰ বাবে অপপ্ৰেৰণা দিয়ে, যি—

**প্ৰথমতে** - কোনো ব্যক্তিক সেই কাৰ্য্যটো কৰিবলৈ প্ৰৰোচিত কৰে বা

**দ্বিতীয়তে** - এক বা অন্য অধিক ব্যক্তি বা ব্যক্তিবৰ্গ সহ সেই কাৰ্য্য কৰাৰ ষড়যন্ত্ৰত নিযুক্ত হয়, যদি সেই ষড়যন্ত্ৰৰ অনুসৰণত আৰু সেই কাৰ্য্য কৰাৰ নিমিত্তে কোনো এটা কাৰ্য্য বা অবৈধ ত্ৰুটী ঘটিত হয়।

**তৃতীয়তে** - সেই কাৰ্য্য কৰণত কোনো কাৰ্য্য বা অবৈধ ত্ৰুটীৰ দ্বাৰা অভিপ্ৰেতভাৱে সাহাৰ্য্য কৰে।

**স্পষ্টীকৰণ ১** - কোনো ব্যক্তি যিজনে, ইচ্ছাপূৰ্বক মিথ্যা বৰ্ণনাৰ দ্বাৰা বা তাত্ত্বিক তথ্য যিটো তেওঁ প্ৰকট কৰিবলৈ আবদ্ধ, ইচ্ছাপূৰ্বক গোপন নকৰি স্বেচ্ছাই কোনো কাৰ্য্য কৰায় বা সংগ্ৰহ কৰা বা কৰাবলৈ বা সংগ্ৰহ কৰিবলৈ প্ৰয়াস কৰে, তেওঁ সেই কাৰ্য্যটো কৰিবলৈ প্ৰৰোচিত কৰা বুলি কোৱা হয়।

**দৃষ্টান্ত**

লোক পদাধিকাৰী 'ক' ক ন্যায়ালয়ৰ পৰা এখন পৰোৱানাৰ দ্বাৰা 'ক্ষ' ক কৰায়ত্ত কৰিবলৈ প্ৰাধিকৃত কৰা হৈছে। 'খ'ই সেই তথ্যটো আৰু যে 'গ' 'ক্ষ' নহয় জানিও ইচ্ছাপূৰ্বক 'ক' ক নিবেদন কৰিলে যে 'গ'ই 'ক্ষ' আৰু তাৰ দ্বাৰা অভিপ্ৰেতভাৱে 'গ' ক 'ক' ৰে কৰায়ত্ত কৰায়, ইয়াত খ' ই প্ৰৰোচনাৰে 'গ' ৰ কৰায়ত্তৰ অপপ্ৰেৰণা দিছে।

**স্পষ্টীকৰণ** ২- যিয়ে কাৰ্য্যটো কৰা হোৱাৰ পূৰ্বে বা কৰাৰ সময়ত সেই কাৰ্য্য কৰাটো সুগম

কৰাৰ অৰ্থে কোনো কাৰ্য্য কৰে, আৰু তাৰ দ্বাৰা সেইটো কৰাটো সুগম কৰে, তেওঁ সেই কাৰ্য্যটো কৰাত সাহাৰ্য্য কৰা বুলি কোৱা হয়।

অপপ্ৰেৰক।

১০৮। কোনো ব্যক্তিয়ে এটা অপৰাধ অপপ্ৰেৰিত কৰে, যি হয়, কোনো অপৰাধৰ সংঘটন কৰাটো অপপ্ৰেৰিত কৰে, বা কোনো এটা কাৰ্য্যৰ সংঘটন অপপ্ৰেৰিত কৰে যিটো, যদি বিধিৰ দ্বাৰা সামৰ্থ্য এজন ব্যক্তিয়ে সেই অপপ্ৰেৰকৰ দৰে একে ইচ্ছা বা জ্ঞানসহ কৰা হ'লে এটা অপৰাধ হ'লহেঁতেন।

**স্পষ্টীকৰণ ১** - কোনো কাৰ্য্যৰ অবৈধ ত্ৰুটীৰ অপপ্ৰেৰণা অপৰাধৰ পৰ্য্যায়ৰ হব পাৰে যদিওবা অপপ্ৰেৰকজন স্বয়ং সেই কাৰ্য্যটো কৰিবলৈ আবদ্ধ নহব পাৰে।

**স্পষ্টীকৰণ ২** - অপপ্ৰেৰণাৰ অপৰাধটো গঠিত কৰিবলৈ এইটো আৱশ্যক নহয় যে অপপ্ৰেৰিত কাৰ্য্যটো সংঘটিত হোৱা উচিত, বা যে অপৰাধটো গঠিত কৰা প্ৰভাৱটো সংঘটিত হোৱা উচিত।

(ক) 'ক'ই 'গ' ক হত্যা কৰিবলৈ 'খ'ক প্ৰৰোচিত কৰে। সেইটো কৰিবলৈ 'খ' অমান্তি হয়। হত্যা কৰিবলৈ 'খ'ক অপপ্ৰেৰিত কৰাৰ বাবে 'ক' দোষী।

(খ) 'ঘ' ক হত্যা কৰিবলৈ 'ক'ই "খ"ক প্ৰৰোচিত কৰে। সেই প্ৰৰোচনাৰ অনুসৰণত 'খ'ই 'ঘ' ক হানিলে। জখমৰ পৰা 'ঘ' আৰোগ্য হ'ল। হত্যা কৰিবলৈ 'খ'ক প্ৰৰোচিত কৰাৰ বাবে 'ক' দোষী।

**স্পষ্টীকৰণ ৩** - এইটো আৱশ্যক নহয় যে অপপ্ৰেৰিত ব্যক্তিজন বিধিৰ দ্বাৰা অপৰাধ কৰাৰ সমৰ্থ হব লাগে, বা যে তেওঁৰ অপপ্ৰেৰকৰ নিচিনা দোষযুক্ত অভিপ্ৰায় বা জ্ঞান বা কোনো দোষযুক্ত অভিপ্ৰায় বা জ্ঞান থাকিব লাগে।

## দৃষ্টান্ত

(ক) 'ক'ই দোষযুক্ত অভিপ্ৰায় সহ এটা শিশু বা এটা পাগলক এটা কাৰ্য্য কৰিবলৈ অপপ্ৰেৰিত কৰে যিটো, যদি বিধিৰ দ্বাৰা অপৰাধ কৰিবলৈ সমৰ্থ কোনো ব্যক্তিৰ দ্বাৰা কৰা হলে আৰু 'ক' ৰ দৰে একে অভিপ্ৰায় থাকিলে এটা অপৰাধ হ'লহেতেন। ইয়াত কাৰ্য্যটো কৰা হওক বা নহওক 'ক' এটা অপৰাধ অপপ্ৰেৰিত কৰাৰ বাবে দোষী।

(খ) 'ক্ষ' ক হত্যা কৰাৰ অভিপ্ৰায়েৰে 'ক' ই সাত বছৰ তলৰ এটা শিশু 'খ' ক এটা কাৰ্য্য কৰিবলৈ প্ৰৰোচিত কৰে যিটোৱে 'জ' ৰ মৃত্যু ঘটায়। 'খ' ই অপপ্ৰেৰণাৰ পৰিণামত ক' ৰ অনুপস্থিতিত কাৰ্য্যটো কৰে, আৰু তাৰ দ্বাৰা 'ক্ষ'ৰ মৃত্যু ঘটায়। ইয়াত, যদিও বিধিমতে 'খ' ৰ এটা অপৰাধ কৰাৰ সামৰ্থ্য নাছিল, তথাপি যেনিবা 'খ' বিধি মতে এটা অপৰাধ কৰাৰ বাবে সমৰ্থ আছিল, আৰু হত্যা সংঘটন কৰিছিল, আৰু সেই গতিকে মৃত্যুদণ্ডৰে দণ্ডনীয়।

(গ) 'ক' ই এটা বাসগৃহত অগ্নি সংযোগ কৰিবলৈ 'ক্ষ'ক প্ৰৰোচিত কৰে, 'খ'ই তেওঁৰ অসুস্থ চিত্তৰ পৰিণামত কাৰ্য্যটোৰ প্ৰকৃতিৰ বা তেওঁ যিটো কৰিছে সেইটো দোষনীয় বা বিধিৰ প্ৰতিকূল সেইটো জনাৰ পৰা অসমৰ্থ হৈ 'ক'ৰ প্ৰৰোচনাৰ পৰিণামত ঘৰটোত অগ্নি সংযোগ কৰে।'খ'ই কোনো অপৰাধ কৰা নাই, কিন্তু এটা বাসগৃহত অগ্নি সংযোগ কৰাৰ অপপ্ৰেৰণাৰ অপৰাধত "ক" দোষী, আৰু সেই অপৰাধৰ বাবে উপবন্ধিত দণ্ডৰ বাবে দায়ী।

(ঘ) 'ক' ই এটা চুৰি কৰাৰ অভিপ্ৰায় কৰি 'খ' ক 'ক্ষ' ৰ এটা সম্পত্তি 'ক্ষ'ৰ অভিৰক্ষাৰ পৰা আনিবলৈ প্ৰৰোচনা দিয়ে। 'ক'ই 'খ'ক সম্পত্তিটো 'ক'ৰ বুলি বিশ্বাস কৰিবলৈ উৎপ্ৰেৰিত কৰে। 'খ' ই 'ক্ষ'ৰ দখলৰ পৰা সম্পত্তিটো সদভাবপূৰ্বক এইটো 'ক' ৰ সম্পত্তি বুলি বিশ্বাস কৰি সম্পত্তিটো লয়। 'খ' ই ভুল ধাৰণাৰ বশৱৰ্ত্তী হোৱাত অসাধু ভাৱে লোৱা নাই, আৰু সেই গতিকে চুৰি কৰা নাই, কিন্তু 'ক' ই চুৰিৰ অপপ্ৰেৰণা দিয়াৰ বাবে দোষী আৰু সেই একে দণ্ডৰ বাবে দায়ী যেনিবা 'খ'ই চুৰি কৰিছিল।

**স্পষ্টীকৰণ ৪** - অপৰাধৰ অপপ্ৰেৰণা অপৰাধ হোৱাৰ বাবে অপপ্ৰেৰণাৰ অপপ্ৰেৰণা দিয়াটোও অপৰাধ।

### দৃষ্টান্ত

'ক্ষ' ক হত্যা কৰিবলৈ 'গ' ক প্ৰৰোচিত কৰাৰ অৰ্থে 'খ' ক 'ক'ই প্ৰৰোচিত কৰে। 'খ'ই তদনুসাৰে 'ক্ষ' ক হত্যা কৰিবলৈ 'গ' ক প্ৰৰোচিত কৰে আৰু 'খ' ৰ প্ৰৰোচনাৰ পৰিণামত 'গ'ই অপৰাধটো কৰে। 'খ' তেওঁৰ অপৰাধৰ বাবে হত্যাৰ দণ্ডৰে দণ্ডিত হবলৈ দায়ী, আৰু যিহেতু ক'ই 'খ'ক অপৰাধটো কৰিবলৈ প্ৰৰোচিত কৰিছিল, 'ক' ও একে দণ্ডৰ বাবে দায়ী।

**স্পষ্টীকৰণ ৫** - ষড়যন্ত্ৰৰ দ্বাৰা অপপ্ৰেৰণাৰ অপৰাধ সংঘটন কৰিবলৈ এইটো আৱশ্যক নহয় যে অপপ্ৰেৰকে যি ব্যক্তিয়ে অপৰাধটো সংঘটন কৰে সেই ব্যক্তিৰ লগত মিলি অপৰাধটো কৰিব লাগিব। যদি তেওঁ ষড়যন্ত্ৰত নিযুক্ত হয় যিটোৰ অনুসৰণত অপৰাধটো সংঘটিত হয় সেয়ে যথেষ্ট।

### দৃষ্টান্ত

'ক্ষ' ক বিষ দিবলৈ 'ক'ই 'খ'ৰ লগত মিলি এটা পৰিকল্পনা কৰিলে। এইটোত সন্মত হ'ল যে 'ক'ই বিষ প্ৰয়োগ কৰিব। 'খ'ই তেতিয়া পৰিকল্পনাটো 'গ'ক ব্যাখ্যা কৰিলে এইটো উল্লেখ কৰি যে এজন তৃতীয় ব্যক্তিয়ে বিষ প্ৰয়োগ কৰিব কিন্তু "ক"ৰ নাম উল্লেখ নকৰাকৈ 'গ' বিষ সংগ্ৰহ কৰিবলৈ সন্মত হল, আৰু সেইটো সংগ্ৰহ কৰিলে আৰু ইয়াৰ ব্যাখ্যা কৰা ধৰণে ব্যৱহৃত কৰাৰ অৰ্থে 'খ'ক প্ৰদান কৰিলে। 'ক'ই বিষ প্ৰয়োগ কৰিলে, পৰিণামত 'ক্ষ' ৰ মৃত্যু হ'ল। ইয়াত যদিও 'ক' আৰু 'গ'ই একেলগে ষড়যন্ত্ৰ কৰা নাই তথাপিও 'গ' ষড়যন্ত্ৰটোত নিযুক্ত হৈছে যিটোৰ অনুসৰণত 'ক্ষ ক হত্যা কৰা হ'ল। সেই বাবে 'গ'ই এই ধাৰাত পৰিভাষিত অপৰাধটো কৰিছে আৰু হত্যাৰ দণ্ডৰ বাবে দায়ী।

**ভাৰতৰ বাহিৰৰ অপৰাধসমূহৰ ভাৰতৰ ভিতৰত অপপ্ৰেৰণা।**

[১][১০৮ক। কোনো ব্যক্তিয়ে এই সংহিতাৰ অৰ্থত অপৰাধৰ অপপ্ৰেৰণা দিয়ে যি [২][ভাৰত] ৰ বাহিৰত আৰু দূৰত কোনো কাৰ্য্যৰ সংঘটনৰ [২][ভাৰত]ত অপপ্ৰেৰণা দিয়ে যিটো যদি [২][ভাৰত]ৰ ভিতৰত সংঘটিত কৰা হয় এটা অপৰাধ গঠিত হ'ব।

### দৃষ্টান্ত

'ক'ই [২][ভাৰত]ত এজন বিদেশী 'খ'ক গোৱাত এটা হত্যা সংঘটন কৰিবলৈ প্ৰৰোচিত কৰে।

'ক' হত্যাৰ অপপ্ৰেৰণাৰ বাবে দোষী।]

**অপপ্ৰেৰণাৰ বাবে দণ্ড যদি পৰিণামত অপপ্ৰেৰিত কাৰ্য্যটো সংঘটিত হয় আৰু য'ত ইয়াৰ দণ্ডৰ বাবে কোনো অভিব্যক্ত উপবন্ধ কৰা হোৱা নাই।**

১০৯। যিয়ে কোনো অপৰাধৰ অপপ্ৰেৰণা দিয়ে, যদি অপপ্ৰেৰিত কাৰ্য্যটো অপপ্ৰেৰণাৰ পৰিণামত সংঘটিত হয়, আৰু এই সংহিতাৰ দ্বাৰা তেনে অপপ্ৰেৰণাৰ দণ্ডৰ বাবে কোনো অভিব্যক্ত উপবন্ধ কৰা হোৱা নাই, তেন্তে অপৰাধটোৰ বাবে উপবন্ধিত দণ্ডৰে দণ্ডিত হব।

**স্পষ্টীকৰণ** - কোনো কাৰ্য্য বা অপৰাধ, অপপ্ৰেৰণাৰ পৰিণামত সংঘটিত হোৱা বুলি কোৱা হয়, যেতিয়া ইয়াক প্ৰৰোচনাৰ পৰিণাম স্বৰূপে, বা ষড়যন্ত্ৰৰ অনুসৰণত বা অপপ্ৰেৰণাটো গঠিত কৰা সাহাৰ্য্যসহ সংঘটিত কৰা হয়।

### দৃষ্টান্ত

(ক) লোক সেৱক 'খ' ক 'খ'ৰ পদীয় কৃত্যৰ প্ৰয়োগত 'ক'ক কিছু অনুগ্ৰহ দেখুৱাৰ পুৰস্কাৰ

---

১। ১৮৯৮ চনৰ ৪নং অধিনিয়মৰ ধাৰা ৩ৰ দ্বাৰা সংযুক্ত কৰা হৈছে।

২। "বৃটিছ ভাৰত" শব্দসমূহ আনুক্ৰমিকভাৱে অনুকূলন আদেশ, ১৯৪৮, অনুকূলন আদেশ, ১৯৫০ আৰু ১৯৫১ চনৰ ৩ নং অধিনিয়মৰ ধাৰা আৰু অনুসূচীৰ দ্বাৰা উপৰোক্ত ভাৱে গঠিত হবলৈ প্ৰতিষ্ঠাপিত।

ৰূপে "ক"ই ভেটি দিয়াৰ প্ৰস্তাৱ কৰিলে। 'খ' ই ভেটি গ্ৰহণ কৰিলে 'ক' ই ধাৰা ১৬১ত পৰিভাষিত অপৰাধটোৰ অপপ্ৰেৰণা দিছে।

(খ) 'ক'ই 'খ'ক মিথ্যা সাক্ষ্য দিবলৈ প্ৰৰোচিত কৰে। "খ"ই প্ৰৰোচনাৰ পৰিণামত সেই অপৰাধটো সংঘটিত কৰে। 'ক' সেই অপৰাধটো অপপ্ৰেৰিত কৰাৰ বাবে দোষী আৰু 'খ' ৰ দৰে একে দণ্ডৰ বাবে দায়ী।

(গ) 'ক' আৰু 'খ' ই 'ক্ষ'ক বিহ দিবলৈ ষড়যন্ত্ৰ কৰে। 'ক'ই ষড়যন্ত্ৰ অনুসৰণত বিহ সংগ্ৰহ কৰে আৰু 'খ'ক প্ৰদান কৰে যাতে তেওঁ ইয়াক 'ক্ষ'ক প্ৰয়োগ কৰিব পাৰে। 'খ'ই ষড়যন্ত্ৰ অনুসৰণত বিহখিনি 'ক'ৰ অনুপস্থিতিত 'ক্ষ' ক প্ৰয়োগ কৰে, আৰু তাৰ দ্বাৰা 'ক্ষ' ৰ মৃত্যু ঘটায়। ইয়াত 'খ' হত্যাৰ বাবে দোষী। ষড়যন্ত্ৰৰ দ্বাৰা সেই অপৰাধ অপপ্ৰেৰিত কৰাৰ বাবে 'ক' দোষী, আৰু হত্যাৰ দণ্ডৰ বাবে দায়ী।

অপপ্ৰেৰণাৰ দণ্ড যদি অপপ্ৰেৰিত ব্যক্তিজনে অপপ্ৰেৰকৰ পৰা ভিন্ন অভিপ্ৰায়েৰে কাৰ্য্য কৰে।

১১০। যিয়ে, অপৰাধৰ সংঘটন অপপ্ৰেৰিত কৰে, যদি অপপ্ৰেৰিত ব্যক্তিজনে অপপ্ৰেৰকৰ অভিপ্ৰায়ৰ পৰা ভিন্ন অভিপ্ৰায়েৰে বা জ্ঞানেৰে কাৰ্য্যটো কৰে, সেই অপৰাধটোৰ বাবে উপবন্ধিত দণ্ডৰে দণ্ডিত হব, যিটো অপপ্ৰেৰকৰ অভিপ্ৰায়েৰে বা জ্ঞানেৰে কৰা হলে, সংঘটিত হ'লহেতেন কিন্তু অন্য অভিপ্ৰায় বা জ্ঞানেৰে নহয়।

অপপ্ৰেৰকৰ দায়িত্ব, যেতিয়া এটা কাৰ্য্য অপপ্ৰেৰিত হয় আৰু ভিন্ন এটা কাৰ্য্য কৰা হয়।

১১১। যেতিয়া এটা কাৰ্য্য অপপ্ৰেৰিত হয়, আৰু এটা ভিন্ন কাৰ্য্য কৰা হয় তেতিয়া অপপ্ৰেৰক পোনে পোনে একে ধৰণে আৰু একে বিস্তাৰ পৰ্য্যন্ত কৃত কাৰ্য্যৰ বাবে দায়ী হব যেনিবা তেওঁ সেইটোৰ পোনে পোনে অপপ্ৰেৰণা দিছিল ঃ

পৰন্তক-পৰন্ত কৃত কাৰ্য্যটো অপপ্ৰেৰণাৰ সম্ভাব্য পৰিণাম আছিল, আৰু প্ৰৰোচনাৰ প্ৰভাৱৰ অধীনত বা সাহাৰ্য্য সহ বা অপপ্ৰেৰণাটো গঠিত কৰা ষড়যন্ত্ৰৰ, অনুসৰণত সংঘটিত হৈছিল।

### দৃষ্টান্ত

(ক) 'ক'ই 'ক্ষ' ৰ আহাৰত বিহ ঢালিবলৈ এটা শিশুক প্ৰৰোচিত কৰে, আৰু তেওঁক সেই উদ্দেশ্যে বিহ খিনি দিয়ে। প্ৰৰোচনাৰ পৰিণাম স্বৰূপে শিশুটোৱে ভুল বশতঃ বিহ খিনি 'ক্ষ'ৰ ওপৰত থকা 'হ'ৰ আহাৰত ঢালে। ইয়াত যদি শিশুটোৱে 'ক'ৰ প্ৰৰোচনাৰ প্ৰভাৱৰ অধীনত কাৰ্য্য কৰি আছিল আৰু কৃত কাৰ্য্যটো পৰিস্থিতিৰ অধীনত অপপ্ৰেৰণাৰ সম্ভাব্য পৰিণাম আছিল, 'ক' সেইটোৰ বাবে সেই একে ধৰণে আৰু সেই একে বিস্তাৰ পৰ্য্যন্ত দায়ী হব, যেনিবা তেওঁ শিশুটোক 'হ'ৰ আহাৰত বিহ ঢালিবলৈ প্ৰৰোচিত কৰিছিল।

(খ) 'ক' ই 'খ'ক 'ক্ষ'ৰ ঘৰটো জ্বলাই দিবলৈ প্ৰৰোচিত কৰে। 'ক' ই ঘৰটোত অগ্নি সংযোগ কৰে আৰু একে সময়তে তাত সম্পত্তি চুৰি কৰে। 'ক' যদিও ঘৰটো জ্বলোৱাৰ ষড়যন্ত্ৰৰ বাবে দোষী, চুৰিৰ অপপ্ৰেৰণাৰ বাবে দোষী নহয় কাৰণ, চুৰিটো এটা বেলেগ কাৰ্য্য আৰু জ্বলোৱা কাৰ্য্যৰ সম্ভাব্য পৰিণাম নহয়।

(গ) 'ক' ই 'খ' ক আৰু 'গ' ক লুণ্ঠনৰ উদ্দেশ্যে মাজ ৰাতি এটা বাস গৃহ ভেদন কৰিবলৈ প্ৰৰোচিত কৰে আৰু সেই উদ্দেশ্যে অস্ত্ৰৰ ব্যৱস্থা কৰি দিয়ে 'খ' আৰু 'গ' ই গৃহভেদন কৰি সোমায়, আৰু এজন নিবাসী 'ক্ষ' ৰ দ্বাৰা প্ৰতিৰোধিত হোৱাত 'ক্ষ' ক হত্যা কৰে। ইয়াত যদি হত্যাটো অপপ্ৰেৰণাৰ সম্ভাব্য পৰিণাম আছিল, 'ক' হত্যাৰ বাবে উপবন্ধিত দণ্ডৰ বাবে দায়ী।

অপপ্ৰেৰক কেতিয়া অপপ্ৰেৰিত কাৰ্য্যৰ বাবে আৰু কৰা কাৰ্য্যৰ বাবে আকলিত দণ্ডৰ বাবে দায়ী হয়।

১১২। যদিহে কোনো কাৰ্য্য যিটোৰ বাবে অপপ্ৰেৰক অন্তিম পূৰ্ববৰ্ত্তী ধাৰাৰ অধীনত দায়ী হয়, অপপ্ৰেৰিত কাৰ্য্যৰ উপৰিও সংঘটিত কৰা হয় আৰু ই এটা বেলেগ অপৰাধ গঠিত কৰে, তেন্তে অপপ্ৰেৰক অপৰাধসমূহৰ প্ৰত্যেকটোৰ বাবে দণ্ডেৰে দায়ী হব।

### দৃষ্টান্ত

'ক' ই 'খ' ক বল প্ৰয়োগেৰে এজন লোক সেৱকৰ দ্বাৰা কৰা ক্ৰোক এটা প্ৰতিৰোধ কৰিবলৈ

প্ৰৰোচিত কৰে। পৰিণাম স্বৰূপে 'খ' ই সেই ক্ৰোকটো প্ৰতিৰোধ কৰে। প্ৰতিৰোধ কৰোতে 'খ'ই স্বেচ্ছাই ক্ৰোক নিষ্পাদন কৰা পদাধিকাৰীজনক গুৰুতৰ আঘাত কৰে। যিহেতু 'খ' ই ক্ৰোক প্ৰতিৰোধ কৰা আৰু গুৰুতৰ আঘাত কৰা এই দুয়োটা অপৰাধ কৰিলে 'খ' এই দুয়োটা অপৰাধৰ দণ্ডৰ বাবে দায়ী, আৰু যদি 'ক' ই জানিছিল যে প্ৰতিৰোধ কৰোতে 'খ' ই গুৰুতৰ আঘাত কৰাৰ সম্ভাৱনা আছিল, 'ক' ও প্ৰত্যেকটো অপৰাধৰ দণ্ডৰ বাবে দায়ী হব।

**অপপ্ৰেৰিত কাৰ্য্যৰ দ্বাৰা অপপ্ৰেৰকৰ দ্বাৰা অভিপ্ৰেত প্ৰভাৱতকৈ ভিন্ন প্ৰভাৱ ঘটিত হোৱাৰ বাবে অপপ্ৰেৰকৰ দায়িত্ব।**

১১৩। যেতিয়া এজন অপপ্ৰেৰকে অভিপ্ৰায়সহ এটা বিশেষ প্ৰভাৱ ঘটাবলৈ এটা কাৰ্য্য অপপ্ৰেৰিত কৰে, আৰু এটা কাৰ্য্য যিটোৰ বাবে অপপ্ৰেৰণাৰ পৰিণাম স্বৰূপে অপপ্ৰেৰক দায়ী, অপপ্ৰেৰকে অভিপ্ৰায় কৰাতকৈ এটা ভিন্ন প্ৰভাৱ ঘটায় তেতিয়া অপপ্ৰেৰক জন সেই প্ৰভাৱটো ঘটাৰ বাবে একে ধৰণে আৰু একে বিস্তাৰ পৰ্য্যন্ত দায়ী হয় যেনিবা তেওঁ পৰিণামটো ঘটাৰ বাবে কাৰ্য্যটো অপপ্ৰেৰিত কৰিছিল যদিহে তেওঁ জানিছিল যে অপপ্ৰেৰিত কাৰ্য্যটোৰে সেই প্ৰভাৱ ঘটোৱাৰ সম্ভাৱনা আছিল।

### দৃষ্টান্ত

'ক্ষ' ক গুৰুতৰ আঘাত কৰিবলৈ 'ক' ই 'খ' ক প্ৰৰোচনা দিয়ে, প্ৰৰোচনাৰ পৰিণামত 'খ' ই 'ক্ষ' ক গুৰুতৰ আঘাত কৰে। পৰিণামত 'ক্ষ' ৰ মৃত্যু ঘটে। ইয়াত যদি 'ক' ই জানিছিল যে অপপ্ৰেৰিত গুৰুতৰ আঘাতটোৰে মৃত্যু ঘটোৱাৰ সম্ভাৱনা আছে। 'ক' হত্যাৰ বাবে উপবন্ধিত দণ্ডেৰে দণ্ডিত হোৱাৰ বাবে দায়ী।

**অপৰাধটো সংঘটিত হোৱাৰ সময়ত অপপ্ৰেৰকৰ উপস্থিতি।**

১১৪। যেতিয়াই কোনো ব্যক্তি যিজন যদি অনুপস্থিত থাকে অপপ্ৰেৰক হিচাবে দণ্ডিত হোৱাৰ বাবে দায়ী যেতিয়া কাৰ্য্যটো বা অপৰাধটো সংঘটিত কৰা হয় যিটোৰ বাবে অপপ্ৰেৰণাৰ পৰিণামত যেতিয়া উপস্থিত থাকে দণ্ডনীয় হ'লহেঁতেন তেতিয়া তেওঁক তেনে কাৰ্য্য বা অপৰাধ সংঘটিত কৰা বুলি গণ্য কৰা হব।

**মৃত্যুৰে বা আজীৱন কাৰাবাসেৰে দণ্ডনীয় অপৰাধৰ অপপ্ৰেৰণা- যদি অপৰাধ সংঘটিত কৰা নহয়;**

**যদি অনিষ্ট ঘটোৱা কাৰ্য্য পৰিণাম স্বৰূপে কৰা হয়।**

১১৫। যিয়ে, মৃত্যু বা [১][আজীৱন কাৰাবাস]ৰে দণ্ডনীয় এটা অপৰাধ সংঘটনত অপপ্ৰেৰণাৰ দিয়ে যদি অপৰাধটো অপপ্ৰেৰণাৰ পৰিণাম স্বৰূপে সংঘটিত নহয়, আৰু এই সংহিতাৰ দ্বাৰা এনে অপপ্ৰেৰণাৰ বাবে দণ্ডৰ কোনো অভিব্যক্ত উপবন্ধ কৰা নাই, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে যাৰ অৱধি সাত বছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে দণ্ডিত হব আৰু জৰিমনাৰ বাবেও দায়ী হব;

আৰু যদি কোনো কাৰ্য্য কৰা হয় সিটোৰ বাবে অপপ্ৰেৰণাৰ পৰিণামত অপপ্ৰেৰক দায়ী হয়, আৰু যিটোৰে কোনো ব্যক্তিক আঘাত কৰে, অপপ্ৰেৰকজন দুই প্ৰকাৰৰ এটা কাৰাবাসৰে যাৰ অৱধি চৈধ্য বছৰলৈ বিস্তাৰিত হব পাৰে, দণ্ডিত হব আৰু জৰিমনাৰ বাবেও দায়ী হব।

### দৃষ্টান্ত

'ক' ই 'ক্ষ' ক হত্যা কৰিবলৈ 'খ' ক প্ৰৰোচনা দিয়ে। অপৰাধটো সংঘটিত হোৱা নাই। যদি 'খ' ই 'ক্ষ' ক হত্যা কৰিলেহেঁতেন, তেওঁ মৃত্যু বা [১][আজীৱন কাৰাবাস]ৰ দণ্ডৰ অধ্যাধীন হ'লহেতেন সেই বাবে 'ক' এটা অৱধিৰ কাৰাবাসৰ বাবে, যিটো সাত বছৰলৈ বিস্তাৰিত হব পাৰে, আৰু জৰিমনাৰ বাবেও দায়ী, আৰু যদি 'ক্ষ' ক অপপ্ৰেৰণাৰ পৰিণাম স্বৰূপে কোনো আঘাত কৰা হয়, তেওঁ কাৰাবাসৰ বাবে যাৰ অৱধি চৈধ্য বছৰলৈ বিস্তাৰিত হব পাৰে আৰু জৰিমনাৰ বাবেও দায়ী হব।

**কাৰাবাসেৰে দণ্ডনীয় অপৰাধৰ অপপ্ৰেৰণা যদি অপৰাধ সংঘটিত নহয়;**

১১৬। যিয়ে, কাৰাবাসেৰে দণ্ডনীয় এটা অপৰাধ অপপ্ৰেৰিত কৰে, যদি সেই অপৰাধটো অপপ্ৰেৰণাৰ পৰিণামত সংঘটিত নহয়, আৰু এনে অপপ্ৰেৰণাৰ দণ্ডৰ বাবে এই সংহিতাত কোনো অভিব্যক্ত উপবন্ধ কৰা হোৱা নাই, তেওঁ সেই অপৰাধটোৰ বাবে উপবন্ধিত যি কোনো প্ৰকাৰৰ কাৰাবাসৰে

---

১। ১৯৫৫ চনৰ ২৬ নং অধিনিয়মৰ ধাৰা ১১৭ আৰু অনুসূচীৰ দ্বাৰা "আজীৱন নিৰ্বাসন"ৰ বাবে প্ৰতিস্থাপিত (১-১-১৯৫৬ ৰ পৰা প্ৰভাৱী হোৱাকৈ)।

এটা অৱধিৰ বাবে যিটো সেই অপৰাধটোৰ বাবে উপবন্ধিত দীৰ্ঘতম অৱধিৰ, এক-চতুৰ্থাংশলৈ বিস্তাৰিত হব পাৰে বা এনে জৰিমনাসহ যেনেদৰে সেই অপৰাধৰ বাবে উপবন্ধিত হৈছে বা উভয়ৰে দণ্ডিত হব।

যদি অপপ্ৰেৰক বা অপপ্ৰেৰিত ব্যক্তিজন লোকসেৱক যাৰ কৰ্ত্তব্য অপৰাধ নিবাৰণ কৰা।

আৰু যদি অপপ্ৰেৰক বা অপপ্ৰেৰিত ব্যক্তিজন লোকসেৱক হয় যাৰ কৰ্ত্তব্য এনে অপৰাধৰ সংঘটন নিবাৰণ কৰা, অপপ্ৰেৰকজন সেই অপৰাধৰ বাবে উপবন্ধিত যি কোনো প্ৰকাৰৰ কাৰাবাসৰে এটা অৱধিৰ বাবে যিটো সেই অপৰাধটোৰ বাবে উপবন্ধিত দীৰ্ঘতম অৱধিৰ আধা ভাগৰ অৱধিলৈ বিস্তাৰিত হব পাৰে, বা এনে জৰিমনাসহ যেনেদৰে সেই অপৰাধটোৰ বাবে উপবন্ধিত হৈছে বা উভয়ৰে দণ্ডিত হব।

**দৃষ্টান্ত**

(ক) লোক সেৱক 'খ' ক 'খ' ৰ পদীয় কৃত্যৰ প্ৰয়োগত 'ক'ক কিছু অনুগ্ৰহ দেখুৱাৰ বাবে পুৰস্কাৰ হিচাবে, 'ক' ই ভেটি দিয়াৰ প্ৰস্তাৱ কৰিলে। 'খ'ই ভেটি গ্ৰহণ কৰিবলৈ অমান্তি হয়। 'ক' এই ধাৰাৰ অধীনত দণ্ডনীয়।

(খ) 'ক' ই 'খ' ক মিথ্যা সাক্ষ্য দিবলৈ প্ৰৰোচিত কৰে। ইয়াত, যদি 'খ' ই মিথ্যা সাক্ষ্য নিদিয়ে, তথাপি এই ধাৰাত পৰিভাষিত অপৰাধটো সংঘটিত কৰিছে, আৰু তদনুসাৰে দণ্ডনীয়।

(গ) আৰক্ষী পদাধিকাৰী 'ক' ই যাৰ কৰ্ত্তব্য লুণ্ঠন নিবাৰণ কৰা, লুণ্ঠন সংঘটন কৰিবলৈ অপপ্ৰেৰণা দিয়ে। ইয়াত যদিও লুণ্ঠন সংঘটিত নহল 'ক' অপৰাধটোৰ বাবে উপবন্ধিত দীৰ্ঘতম কাৰাবাসৰ অৱধিৰ আধা ভাগৰ বাবে আৰু জৰিমনাৰ বাবেও দায়ী।

(ঘ) আৰক্ষী পদাধিকাৰী 'ক' ৰ দ্বাৰা যাৰ কৰ্ত্তব্য লুণ্ঠন নিবাৰণ কৰা। সেই অপৰাধ সংঘটন কৰিবলৈ 'খ' ই অপপ্ৰেৰণা দিয়ে ইয়াত যদিও লুণ্ঠন সংঘটিত নহ'ল 'খ' লুণ্ঠন অপৰাধৰ বাবে উপবন্ধিত দীৰ্ঘতম অৱধিৰ কাৰাবাসৰ আধা ভাগৰ বাবে আৰু জৰিমনাৰ বাবেও দায়ী।

লোক সাধাৰণ বা দহ জনতকৈ অধিক ব্যক্তিৰ দ্বাৰা অপৰাধৰ সংঘটনৰ অপপ্ৰেৰণা।

১১৭। যিয়ে, সাধাৰণতে লোক সাধাৰণ বা দহ জনৰ অধিক যি কোনো সংখ্যা বা শ্ৰেণীৰ ব্যক্তিৰ দ্বাৰা কোনো অপৰাধ সংঘটন অপপ্ৰেৰিত কৰে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে যাৰ অৱধি তিনি বছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে বা জৰিমনাৰে বা উভয়েৰে দণ্ডিত হব।

**দৃষ্টান্ত**

'ক' ই এখন সাৰ্বজনিক স্থানত দহ জনতকৈ অধিক সদস্যৰে গঠিত এটা সম্প্ৰদায়ক এটা নিৰ্দিষ্ট সময় আৰু স্থানত এটা বিৰোধী সম্প্ৰদায়ৰ সমদলত ব্যস্ত থকা সময়ত আক্ৰমণ কৰাৰ উদ্দেশ্যে সমবেত হবলৈ প্ৰৰোচিত কৰি এখন ইস্তাহাৰ আৰি দিয়ে। 'ক' ই এই ধাৰাত পৰিভাষিত অপৰাধ সংঘটিত কৰিছে।

মৃত্যু বা আজীৱন কাৰাবাসৰে দণ্ডনীয় অপৰাধ সংঘটিত কৰাৰ অভিসন্ধি সংগোপন কৰা-

যদি অপৰাধটো সংঘটিত কৰা হয়;

যদি অপৰাধটো সংঘটিত কৰা নহয়।

১১৮। যিয়ে মৃত্যু বা [1][আজীৱন কাৰাবাস]ৰে দণ্ডনীয় কোনো অপৰাধ সংঘটন সুসাধ্য কৰাৰ অভিপ্ৰায়েৰে বা তেওঁ তাৰ দ্বাৰা অপৰাধ সংঘটন সুসাধ্য কৰাৰ সম্ভাৱনা আছে বুলি জানি;

[2][স্বেচ্ছাই, কোনো কাৰ্য্য বা ক্ৰটিৰ দ্বাৰা বা গোপনীয়তাৰ ব্যৱহাৰ বা সৰঞ্জাম লুকুৱাই ৰখাৰ কোনো আন তথ্যৰ দ্বাৰা তেনে এটা অপৰাধ সংঘটনৰ অভিসন্ধিৰ অস্তিত্ব সংগোপন কৰে বা তেনে অভিসন্ধি সম্পৰ্কে এনে বৰ্ণনা দিয়ে, যিটো তেওঁ মিছা বুলি জানে;]

যদি অপৰাধটো সংঘটিত কৰা হয় দুই প্ৰকাৰৰ এটা কাৰাবাসৰে যাৰ অৱধি সাত বছৰলৈ বিস্তাৰিত হব পাৰে, বা যদি অপৰাধটো সংঘটিত কৰা নহয় দুই প্ৰকাৰৰ এটা কাৰাবাসৰে

---

১। ১৯৫৫ চনৰ ২৬ নং অধিনিয়মৰ ধাৰা ১১৭ আৰু অনুসূচীৰ দ্বাৰা "আজীৱন নিৰ্বাসন"ৰ বাবে প্ৰতিষ্ঠাপিত (১-১-১৯৫৬ ৰ পৰা প্ৰভাৱী হোৱাকৈ)।

২। তথ্য প্ৰযুক্তিবিজ্ঞান (সংশোধন) অধিনিয়ম ২০০৮ (২০০৯ ৰ ১০)ৰ ধাৰা ৫১ৰ দ্বাৰা প্ৰতিষ্ঠাপিত।

যাৰ অৱধি তিনি বছৰলৈ বিস্তাৰিত হব পাৰে দণ্ডিত হব আৰু দুয়োটা ক্ষেত্ৰৰ প্ৰত্যেকতে জৰিমনাৰ বাবেও দায়ী হব।

### দৃষ্টান্ত

'ক' ই এইটো জানে যে 'খ' ত ডকাইটি প্ৰায় সংঘটিত হওঁ হওঁ, হৈছে মিছাকৈ দণ্ডাধীশক জনালে যে বিপৰীত দিশৰ স্থান 'গ'ত এটা ডকাইটি প্ৰায় হওঁ হওঁ হৈছে, আৰু তাৰ দ্বাৰা ডকাইটিৰ সংঘটন সুসাধ্য কৰাৰ অভিপ্ৰায়েৰে দণ্ডাধীশক ভুল পথেৰে পৰিচালিত কৰে, 'খ' ত অভিসন্ধিৰ অনুসৰণত ডকাইটি সংঘটিত হ'ল। 'ক' এই ধাৰাৰ অধীনত দণ্ডনীয়।

লোক সেৱকৰ দ্বাৰা অপৰাধ সংঘটিত কৰা অভিসন্ধিৰ সংগোপন যিটো নিবাৰণ কৰাটো তেওঁৰ কৰ্ত্তব্য-

১১৯। যিয়ে, এজন লোক সেৱক হৈ কোনো অপৰাধৰ সংঘটন সুসাধ্য কৰাৰ অভিপ্ৰায়েৰে বা তাৰ দ্বাৰা কোনো অপৰাধৰ সংঘটন সুসাধ্য কৰাৰ সম্ভাৱনা আছে বুলি জানি, যিটো তেওঁ এজন লোকসেৱক ৰূপে নিবাৰণ কৰাটো তেওঁৰ কৰ্ত্তব্য;

[১][স্বেচ্ছাই, কোনো কাৰ্য্য বা ত্ৰুটিৰ দ্বাৰা বা গোপনীয়তাৰ ব্যৱহাৰ বা সৰঞ্জাম লুকুৱাই ৰখাৰ কোনো আন তথ্যৰ দ্বাৰা তেনে এটা অপৰাধ সংঘটনৰ অভিসন্ধিৰ অস্তিত্ব সংগোপন কৰে বা তেনে অভিসন্ধি সম্পৰ্কে এনে বৰ্ণনা দিয়ে, যিটো তেওঁ মিছা বুলি জানে;]

যদি অপৰাধটো সংঘটিত কৰা হয়;

যদি অপৰাধটো সংঘটিত হয় সেই অপৰাধৰ বাবে উপবন্ধিত যি কোনো প্ৰকাৰৰ কাৰবাসৰে যিটো তেনে কাৰাবাসৰ দীৰ্ঘতম এটা অৱধিৰ আধালৈ বিস্তাৰিত হব পাৰে বা সেই অপৰাধটোৰ বাবে উপবন্ধিত তেনে জৰিমনাৰে বা উভয়েৰে দণ্ডিত হব,

যদি অপৰাধটো মৃত্যু আদিৰে দণ্ডনীয় হয়;

বা, যদি অপৰাধটো মৃত্যু বা [২][আজীৱন কাৰাবাস]ৰে দণ্ডনীয় হয়, তেনেহলে তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে যাৰ অৱধি দহ বছৰলৈ বিস্তাৰিত হব পাৰে দণ্ডিত হব,

যদি অপৰাধ সংঘটিত কৰা নহয়।

বা, যদি অপৰাধটো সংঘটিত নহয়, অপৰাধটোৰ বাবে উপবন্ধিত যি কোনো প্ৰকাৰৰ এটা অৱধিৰ বাবে কাৰাবাসৰে যিটো তেনে কাৰাবাসৰ দীৰ্ঘতম অৱধিৰ এক চতুৰ্থাংশলৈকে বিস্তাৰিত হব পাৰে বা অপৰাধটোৰ বাবে উপবন্ধিত তেনে জৰিমনাৰে বা উভয়েৰে দণ্ডিত হব।

### দৃষ্টান্ত

আৰক্ষী পদাধিকাৰী 'ক' ই তেওঁৰ জ্ঞানাধীনত অহা লুণ্ঠন সংঘটিত কৰাৰ সকলো অভিসন্ধিৰ তথ্য দিবলৈ বৈধভাবে আবদ্ধ হৈ, আৰু যে 'খ' ই লুণ্ঠন কৰিবলৈ অভিসন্ধি কৰিছে জানিও সেই অপৰাধটো সংঘটন কৰা সুসাধ্য কৰা অভিপ্ৰায়েৰে তথ্য জনোৱাত ত্ৰুটী কৰে। ইয়াত 'ক' ই এটা অবৈধ ত্ৰুটীৰ দ্বাৰা 'খ' ৰ অভিসন্ধিৰ অস্তিত্ব সংগোপন কৰিলে, আৰু তদনুসাৰে এই ধাৰাৰ উপবন্ধৰ অধীনত দণ্ডৰ বাবে দায়ী।

কাৰাবাসেৰে দণ্ডনীয় অপৰাধ সংঘটন কৰাৰ অভিসন্ধিৰ সংগোপন কৰণ-

১২০। যিয়ে কাৰাবাসৰে দণ্ডনীয় কোনো অপৰাধৰ সংঘটন সুসাধ্য কৰাৰ অভিপ্ৰায়েৰে বা তেওঁ তাৰ দ্বাৰা কোনো অপৰাধৰ সংঘটন সুসাধ্য কৰাৰ সম্ভাৱনা আছে বুলি জানি,

স্বেচ্ছাই কোনো কাৰ্য্য বা অবৈধ ত্ৰুটীৰ দ্বাৰা এনে অপৰাধ সংঘটনৰ অভিসন্ধি সংগোপন কৰে, বা কোনো বৰ্ণনা দিয়ে যিটো তেওঁ সেই অভিসন্ধি সম্পৰ্কে মিছা বুলি জানে,

যদি অপৰাধটো সংঘটিত কৰা হয়;

যদি অপৰাধটো সংঘটিত কৰা নহয়।

যদি অপৰাধটো সংঘটিত হয়, সেই অপৰাধটোৰ বাবে উপবন্ধিত প্ৰকাৰৰ কাৰাবাসৰে দণ্ডিত হব যিটো এটা অৱধিৰ একচতুৰ্থাংশলৈ বিস্তাৰিত হব পাৰে আৰু যদি অপৰাধটো সংঘটিত নহয়, এনে কাৰাবাসৰ দীৰ্ঘতম অৱধিৰ এক অষ্টমাংশ বা অপৰাধটোৰ বাবে উপবন্ধিত মতে তেনে জৰিমনাৰে বা উভয়েৰে দণ্ডিত হব।

---

১। তথ্য প্ৰযুক্তিবিজ্ঞান (সংশোধন) অধিনিয়ম ২০০৮ (২০০৯ ৰ ১০)ৰ ধাৰা ৫১ৰ দ্বাৰা প্ৰতিষ্ঠাপিত।

২। ১৯৫৫ চনৰ ২৬ নং অধিনিয়মৰ ধাৰা ১১৭ আৰু অনুসূচীৰ দ্বাৰা "আজীৱন নিৰ্বাসন"ৰ বাবে প্ৰতিষ্ঠাপিত (১-১-১৯৫৬ ৰ পৰা প্ৰভাৱী হোৱাকৈ)।

## [1][অধ্যায় - ৫ ক

### আপৰাধিক ষড়যন্ত্ৰ

আপৰাধিক ষড়যন্ত্ৰৰ পৰিভাষা।

১২০ক। যেতিয়া দুই বা তাতোধিক ব্যক্তিয়ে -

(১) কোনো অবৈধ কাৰ্য্য, বা -

(২) কোনো এনে কাৰ্য্য যিটো অবৈধ নহয় অবৈধ উপায়ৰ দ্বাৰা কৰিবলৈ বা কৰাবলৈ সন্মত হয়, এনে সন্মতিক আপৰাধিক ষড়যন্ত্ৰ বুলি কোৱা হয়ঃ

পৰন্তু এটা অপৰাধ সংঘটিত কৰিবলৈ কৰা এটা সন্মতিৰ বাহিৰে কোনো সন্মতি আপৰাধিক ষড়যন্ত্ৰৰ পৰ্য্যায়ৰ নহয় যদিহে সন্মতিৰ উপৰিও এনে সন্মতিৰ এক বা অধিক পক্ষৰ দ্বাৰা তাৰ অনুসৰণত কোনো কাৰ্য্য কৰা নহয়।

**স্পষ্টীকৰণ** - অবৈধ কাৰ্য্যটো এনে সন্মতিৰ চৰম লক্ষই হওঁক বা সেই লক্ষৰ আনুষঙ্গিকেই হওঁক এইটো অপ্ৰয়োজনীয়।

আপৰাধিক ষড়যন্ত্ৰৰ দণ্ড।

১২০খ। (১) যিয়েই মৃত্যু [2][আজীৱন কাৰাবাস] ৰ বা দুবছৰ বা ততোধিক অৱধিৰ সশ্ৰম কাৰাবাসৰে দণ্ডনীয় কোনো এটা অপৰাধ সংঘটিত কৰিবলৈ আপৰাধিক ষড়যন্ত্ৰৰ এটা পক্ষ হয়, তেওঁ য'ত এই সংহিতাত তেনে ষড়যন্ত্ৰৰ দণ্ডৰ বাবে স্পষ্ট উপবন্ধ কৰা নাই, তেনে ক্ষেত্ৰত সেই একে ধৰণে দণ্ডিত হব যেনিবা তেওঁ তেনে অপৰাধৰ অপপ্ৰেৰণা দিছিল।

(২) যিয়েই উপৰোক্ত মতে দণ্ডনীয় অপৰাধ সংঘটিত কৰাৰ আপৰাধিক ষড়যন্ত্ৰৰ বাহিৰে আপৰাধিক ষড়যন্ত্ৰৰ এটা পক্ষ হয়, তেওঁ ছয়মাহতকৈ অধিক নোহোৱা এটা অৱধিৰ বাবে দুই প্ৰকাৰৰ এটা কাৰাবাসৰে বা জৰিমনাৰে বা উভয়ৰে দণ্ডিত হব।

## অধ্যায় - ৬

### ৰাজ্যৰ বিৰুদ্ধে অপৰাধবোৰৰ বিষয়ে

**ভাৰত চৰকাৰৰ বিৰুদ্ধে যুদ্ধ কৰা বা যুদ্ধ কৰিবলৈ প্ৰয়াস কৰা বা যুদ্ধ কৰাৰ অপপ্ৰেৰণা দিয়া।**

১২১। যিয়ে, [3] [ভাৰত চৰকাৰ]ৰ বিৰুদ্ধে যুদ্ধ কৰে বা এনে যুদ্ধ কৰিবলৈ প্ৰয়াস কৰে, বা এনে যুদ্ধ কৰাৰ অপপ্ৰেৰণা দিয়ে, তেওঁ মৃত্যু বা [2][আজীৱন কাৰাবাস] ৰে দণ্ডিত হব আৰু [4][জৰিমনাৰ বাবেওঁ দায়ী হব]।

---

১। ১৯১৩ চনৰ ৮ নং অধিনিয়মৰ ধাৰা ৩ৰ দ্বাৰা অন্তঃস্থাপিত।

২। ১৯৫৫ চনৰ ২৬ নং অধিনিয়মৰ ধাৰা ১১৭ আৰু অনুসূচীৰ দ্বাৰা "আজীৱন নিৰ্বাসন" ৰ বাবে প্ৰতিষ্ঠাপিত (১-১-১৯৫৬ ৰ পৰা প্ৰভাৱী হোৱাকৈ)।

৩। অনুকূলন আদেশ, ১৯৫০ ৰ দ্বাৰা "মহাৰাণী" ৰ স্থানত প্ৰতিষ্ঠাপিত।

৪। ১৯২১ চনৰ অধিনিয়ম সংখ্যা ১৬ ৰ ধাৰা ২ ৰ দ্বাৰা " আৰু তেওঁৰ সকলো সম্পত্তি বাজেয়াপ্ত কৰা হ'ব" স্থানত প্ৰতিষ্ঠাপিত।

[1][ দৃষ্টান্ত ]

[2]XXX 'ক' ই [3][ভাৰত চৰকাৰ] ৰ বিৰুদ্ধে কৰা বিদ্ৰোহত যোগদান কৰে। 'ক' ই এই ধাৰাত পৰিভাষিত অপৰাধটো সংঘটিত কৰিছে। [4]XXX

ধাৰা ১২১ ৰ দ্বাৰা দণ্ডনীয় অপৰাধ সংঘটন কৰাৰ ষড়যন্ত্ৰ।

[5][১২১ ক। যিয়ে [6][ভাৰত]ৰ ভিতৰত বা বাহিৰত [7][XXX] ১২১ ধাৰাৰ দ্বাৰা দণ্ডনীয় অপৰাধ বোৰৰ কোনটো সংঘটন কৰিবলৈ ষড়যন্ত্ৰ কৰে, বা আপৰাধিক বলৰ দ্বাৰা বা আপৰাধিক বল দেখুৱাই [8][কেন্দ্ৰীয় চৰকাৰ বা কোনো] [9] [ৰাজ্য] চৰকাৰক [10] [XXX] আতঙ্কিত কৰিবলৈ ষড়যন্ত্ৰ কৰে তেওঁ [11] [আজীৱন কাৰাবাস] ৰে বা দুই প্ৰকাৰৰ ভিতৰত এটা কাৰাবাসৰে যিটো দহ বছৰলৈ বিস্তাৰিত হব পাৰে, দণ্ডিত হব [12] [আৰু জৰিমনাৰ বাবেও দায়ী হব]।

**স্পষ্টীকৰণ** ঃ- এই ধাৰাৰ অধীনত ষড়যন্ত্ৰ গঠিত কৰিবলৈ এইটো আৱশ্যক নহয় তাৰ যে অনুসৰণত কোনো কাৰ্য্য বা অবৈধ ত্ৰুটী ঘটিব।

**ভাৰত চৰকাৰৰ বিৰুদ্ধে যুদ্ধ কৰাৰ অভিপ্ৰায়েৰে অস্ত্ৰ আদি সংগ্ৰহ কৰা।**

১২২। যিয়ে, [13][ভাৰত চৰকাৰ]ৰ বিৰুদ্ধে হয়, যুদ্ধ কৰিবলৈ বা যুদ্ধ কৰাৰ কাৰণে সাজু হোৱাৰ অভিপ্ৰায়েৰে লোক, অস্ত্ৰ বা গোলা বাৰুদ সংগ্ৰহ কৰে, বা অন্যথা যুদ্ধ কৰিবলৈ সাজু হয় তেওঁ [11][আজীৱন কাৰাবাস]ৰে বা দুই প্ৰকাৰৰ এটা কাৰাবাসৰে যাৰ অৱধি দহ বছৰৰ অধিক নহব, দণ্ডিত হব [12] [আৰু জৰিমনাৰ বাবেও দায়ী হব]।

**যুদ্ধ কৰাৰ অভিসন্ধি সুসাধ্য কৰাৰ অভিপ্ৰায়েৰে সংগোপনকৰণ।**

১২৩। যিয়ে কোনো কাৰ্য্যৰ দ্বাৰা, বা কোনো অবৈধ ত্ৰুটীৰ দ্বাৰা [13][ভাৰত চৰকাৰ]ৰ বিৰুদ্ধে যুদ্ধ কৰাৰ এটা অভিসন্ধিৰ অস্তিত্বৰ এনে সংগোপনৰ দ্বাৰা যুদ্ধ কৰা সুসাধ্য কৰাৰ অভিপ্ৰায়েৰে বা এইটো জানি যে এনে সংগোপনে এনে যুদ্ধ সুসাধ্য কৰাৰ সম্ভাৱনা আছে, সংগোপন কৰে,

---

১। ১৯৫৭ চনৰ ৩৬ নং অধিনিয়মৰ ধাৰা ৩ আৰু অনুসূচী ২ ৰ দ্বাৰা "দৃষ্টান্ত" সমূহৰ বাবে প্ৰতিষ্ঠাপিত।

২। একে অধিনিয়মৰ ধাৰা ৩ আৰু অনুসূচীৰ দ্বাৰা বন্ধনী সমূহ আৰু আখৰ "(ক)" লোপ কৰা হৈছে।

৩। ১৯৫৫ চনৰ ২৬ নং অধিনিয়মৰ ধাৰা ১১৭ আৰু অনুসূচীৰ দ্বাৰা "আজীৱন নিৰ্বাসন"ৰ বাবে প্ৰতিষ্ঠাপিত (১-১-১৯৫৬ ৰ পৰা প্ৰভাৱী হোৱাকৈ)।

৪। দৃষ্টান্ত (খ) বিধি অনুকূলন আদেশ, ১৯৫০ ৰ দ্বাৰা লোপ কৰা হৈছে।

৫। ১৮৭০ চনৰ ২৭ নং অধিনিয়মৰ ধাৰা ৪ দ্বাৰা অন্তঃস্থাপিত।

৬। "বৃটিছ ভাৰত" শব্দ সমূহ অনুকূলন আদেশ, ১৯৪৮, অনুকূলন আদেশ, ১৯৫০ আৰু ১৯৫১ চনৰ ৩ নং অধিনিয়মৰ ধাৰা ৩ আৰু অনুসূচীৰ দ্বাৰা উপৰোক্ত ভাবে গঠিত হবলৈ ক্ৰমাগত ভাবে প্ৰতিষ্ঠাপিত হৈছে।

৭। অনুকূলন আদেশ, ১৯৫০ ৰ দ্বাৰা "মহাৰাণীক প্ৰদেশ সমূহ বা তাৰ কোনো ভাগৰ সাৰ্বভৌমত্বৰ পৰা বঞ্চিত কৰা" শব্দ সমূহ লোপ কৰা হৈছে।

৮। অনুকূলন আদেশ, ১৯৫০ ৰ দ্বাৰা "ভাৰত চৰকাৰ বা কোনো স্থানীয় চৰকাৰ"ৰ স্থানত প্ৰতিষ্ঠাপিত।

৯। অনুকূলন আদেশ, ১৯৫০ ৰ দ্বাৰা "প্ৰাদেশিক" ৰ স্থানত প্ৰতিষ্ঠাপিত।

১০। অনুকূলন আদেশ, ১৯৪৮ ৰ দ্বাৰা "বা ব্ৰহ্মদেশৰ চৰকাৰ" শব্দ সমূহ লোপ কৰা হৈছে।

১১। ১৯৫৫ চনৰ ২৬ নং অধিনিয়মৰ ধাৰা ১১৭ আৰু অনুসূচীৰ দ্বাৰা "আজীৱন নিৰ্বাসন" ৰ বাবে প্ৰতিষ্ঠাপিত।

১২। ১৯২১ চনৰ ১৬ নং অধিনিয়মৰ ধাৰা ৩ ৰ দ্বাৰা অন্তঃস্থাপিত।

১৩। অনুকূলন আদেশ, ১৯৫০ ৰ দ্বাৰা "মহাৰাণী" ৰ স্থানত প্ৰতিষ্ঠাপিত।

তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে যাৰ অৱধি দহ বছৰলৈ বিস্তাৰিত হব পাৰে, দণ্ডিত হব আৰু জৰিমনাৰ বাবেও দায়ী হব।

কোনো বিধি সন্মত ক্ষমতা প্ৰয়োগ কৰিবলৈ বাধ্য কৰা বা ইয়াক প্ৰয়োগ কৰাত বিৰত কৰাৰ অভিপ্ৰায়েৰে ৰাষ্ট্ৰপতি, ৰাজ্যপাল আদিক অভ্যাঘাত।

১২৪। যিয়ে, ভাৰতৰ [1][ৰাষ্ট্ৰপতি] বা কোনো [2][ৰাজ্য] ৰ [3] XXX [4] XXX [5] XXX ৰ [6][ৰাজ্যপাল [7]XXX] ক এনে [8][ৰাষ্ট্ৰপতি] বা [6][ৰাজ্যপাল [7] XXXX] ৰ বিধি সন্মত ক্ষমতা সমূহৰ কোনটো ক্ষমতাৰ কোনো প্ৰকাৰে প্ৰয়োগ কৰাৰ কাৰণে বা প্ৰয়োগ কৰাৰ পৰা বিৰত ৰাখিবৰ কাৰণে উৎপ্ৰেৰিত বা বাধ্য কৰোৱাৰ অভিপ্ৰায়েৰে,

এনে [8][ৰাষ্ট্ৰপতি] বা [6][ৰাজ্যপাল [7]XXX] ৰ ওপৰত অভ্যাঘাত কৰে বা তেওঁক সদোষ অৱৰোধ কৰে বা সদোষ অৱৰোধ কৰাৰ প্ৰয়াস কৰে বা তেওঁক আপৰাধিক বলৰ দ্বাৰা বা আপৰাধিক বল দেখুৱাই আতঙ্কিত কৰে বা আতঙ্কিত কৰাৰ প্ৰয়াস কৰে।

তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে যাৰ অৱধি সাত বছৰলৈ বিস্তাৰিত হব পাৰে, দণ্ডিত হব আৰু জৰিমনাৰ বাবেও দায়ী হব।

ৰাজদ্ৰোহ।

[9][১২৪ ক। যিয়েই, হয়, কোৱা কথাৰে বা লিখিত শব্দৰে বা চিহ্নৰ দ্বাৰা বা দৃশ্য ৰূপন বা অন্যথা [10] [XXX বিধিৰ দ্বাৰা] [11][ভাৰত] [12] [XXX] ত প্ৰতিষ্ঠিত চৰকাৰৰ প্ৰতি ঘৃণা বা অৱমাননা জন্মায় বা জন্মাবলৈ প্ৰয়াস কৰে বা অপ্ৰীতি উত্তেজিত কৰে বা কৰিবলৈ প্ৰয়াস কৰে তেওঁ [13][আজীৱন কাৰাবাস] ৰে যিটোৰ লগত জৰিমনা যোগ হব পাৰে বা কাৰাবাসৰে যিটো

---

১। অনুকূলন আদেশ, ১৯৫০ ৰ দ্বাৰা "গভৰ্নৰ জেনেৰেল"ৰ বাবে প্ৰতিষ্ঠাপিত।

২। অনুকূলন আদেশ, ১৯৫০ ৰ দ্বাৰা "প্ৰদেশৰ" ৰ বাবে প্ৰতিষ্ঠাপিত। "প্ৰদেশ" শব্দটো অনুকূলন আদেশ, ১৯৩৭ ৰ দ্বাৰা "প্ৰেচিডেন্সি" ৰ বাবে প্ৰতিষ্ঠাপিত কৰা হৈছিল।

৩। অনুকূলন আদেশ, ১৯৩৭ ৰ দ্বাৰা "বা লেফটেনেণ্ট গভৰ্নৰ" শব্দ সমূহ লোপ কৰা হৈছে।

৪। অনুকূলন আদেশ, ১৯৪৮ ৰ দ্বাৰা "বা ভাৰতৰ গভৰ্নৰ জেনেৰেলৰ পৰিষদৰ কোনো সদস্য" শব্দ সমূহ লোপ কৰা হৈছে।

৫। অনুকূলন আদেশ, ১৯৩৭ ৰ দ্বাৰা "বা কোনো প্ৰেচিডেন্সিৰ পৰিষদৰ" শব্দ সমূহ লোপ কৰা হৈছে।

৬। ১৯৫১ চনৰ ৩ নং অধিনিয়মৰ ধাৰা ৩ আৰু অনুসূচীৰ দ্বাৰা "ৰাজ্যপাল" ৰ বাবে প্ৰতিষ্ঠাপিত।

৭। অনুকূলন আদেশ, ১৯৫৬ ৰ দ্বাৰা "বা ৰাজ প্ৰমুখ" শব্দ সমূহ লোপ কৰা হৈছে।

৮। মূল শব্দ সমূহ "গভৰ্নৰ জেনেৰেল, গভৰ্নৰ, লেফটেনেণ্ট গভৰ্নৰ বা পৰিষদৰ সদস্য" ক্ৰমাগত ভাবে অনুকূলন আদেশ, ১৯৩৭, অনুকূলন আদেশ, ১৯৪৮ আৰু অনুকূলন আদেশ, ১৯৪৯ ৰ দ্বাৰা উপৰোক্ত ৰূপে পঠিত হবলৈ সংশোধিত হৈছে।

৯। ১৮৯৮ চনৰ ৪ নং অধিনিয়মৰ ধাৰা ৪ ৰ দ্বাৰা মূল ধাৰা ১২৪ ক প্ৰতিষ্ঠাপিত হৈছে। মূলধাৰা ১২৪ ক ১৮৭০ চনৰ ২৭ নং অধিনিয়মৰ ধাৰা ৫ ৰ দ্বাৰা অন্তঃস্থাপিত হৈছিল।

১০। "হাৰ মেজেষ্টি বা" শব্দ সমূহ অনুকূলন আদেশ, ১৯৫০ ৰ দ্বাৰা লোপ কৰা হৈছে। মেজেষ্টি শব্দৰ পিচত অনুকূলন আদেশ, ১৯৩৭ ৰ দ্বাৰা অন্তঃস্থাপিত "বা ক্ৰাউন প্ৰতিনিধি" শব্দ সমূহ অনুকূলন আদেশ, ১৯৪৮ দ্বাৰা লোপ কৰা হৈছিল।

১১। শব্দ সমূহ "বৃটিশ ভাৰত" অনুকূলন আদেশ, ১৯৪৮, অনুকূলন আদেশ ১৯৫০ আৰু ১৯৫১ চনৰ ৩ নং অধিনিয়মৰ ধাৰা ৩ আৰু অনুসূচীৰ দ্বাৰা উপৰোক্ত ৰূপে পঠিত হবলৈ প্ৰতিষ্ঠাপিত হৈছে।

১২। অনুকূলন আদেশ, ১৯৩৭ ৰ দ্বাৰা অন্তঃস্থাপিত শব্দ সমূহ "বা বৃটিশ ভাৰত" অনুকূলন আদেশ, ১৯৪৮ দ্বাৰা লোপ কৰা হৈছে।

১৩। ১৯৫৫ চনৰ ২৬ নং অধিনিয়মৰ ধাৰা ১১৭ আৰু অনুসূচীৰ দ্বাৰা "আজীৱন নিৰ্বাসন বা অল্পকালীন অৱধি" ৰ বাবে প্ৰতিষ্ঠাপিত (১-১-১৯৫৬ ৰ পৰা প্ৰভাৱী হোৱাকৈ)।

তিনি বছৰলৈ বিস্তাৰিত হব পাৰে যিটোৰ লগত জৰিমনাও যোগ হব পাৰে বা জৰিমনাৰে দণ্ডিত হব।

**স্পষ্টীকৰণ** ১- "অপ্ৰীতি" অভিব্যক্তিয়ে অনানুগত্য আৰু শত্ৰুতাৰ সকলো ভাবাবেশ অন্তৰ্ভুক্ত কৰে।

**স্পষ্টীকৰণ** ২ - ঘৃনা, অৱমাননা বা অপ্ৰীতি উত্তেজিত নকৰাকৈ বা উত্তেজিত কৰাৰ প্ৰয়াস নকৰাকৈ চৰকাৰৰ প্ৰশাসনিক বা আন কাৰ্য্যৰ প্ৰতি বিধি সন্মত উপায়ৰ দ্বাৰা ইয়াক পৰিবৰ্ত্তিত কৰাবৰ দৃষ্টিৰে অননুমোদন প্ৰকাশ কৰা মন্তব্য সমূহে এই ধাৰাৰ অধীনত অপৰাধ গঠিত নকৰে।

**স্পষ্টীকৰণ** ৩ - ঘৃনা, অৱমাননা বা অপ্ৰীতি উত্তেজিত নকৰাকৈ বা উত্তেজিত কৰাৰ প্ৰয়াস নকৰাকৈ চৰকাৰৰ বা প্ৰশাসনিক বা আন কাৰ্য্যৰ প্ৰতি অননুমোদন প্ৰকাশ কৰি কৰা মন্তব্যই এই ধাৰাৰ অধীনত অপৰাধ গঠিত নকৰে।

**ভাৰত চৰকাৰ সহ মৈত্ৰী সম্পৰ্ক ৰখা কোনো এচীয় শক্তিৰ বিৰুদ্ধে যুদ্ধ কৰা।**

১২৫। যিয়েই, [১][ভাৰত চৰকাৰ] সহ মৈত্ৰী বা শান্তিৰ সম্পৰ্ক ৰখা কোনো এচীয়া শক্তিৰ বিৰুদ্ধে যুদ্ধ কৰে বা এনে যুদ্ধ কৰিবলৈ প্ৰয়াস কৰে, বা এনে যুদ্ধ কৰাৰ অপপ্ৰেৰণা দিয়ে, তেওঁ [২][আজীৱন কাৰাবাস] ৰে যিটোৰ লগত জৰিমনা যোগ হব পাৰে বা যিকোনো প্ৰকাৰৰ এটা কাৰাবাসেৰে যাৰ অৱধি সাত বছৰলৈ বিস্তাৰিত হব পাৰে, যিটোৰ লগত জৰিমনা যোগ হব পাৰে, বা জৰিমনাৰে দণ্ডিত হব।

**ভাৰত চৰকাৰৰ সৈতে শান্তিৰ সম্পৰ্ক ৰখা শক্তিৰ ৰাজ্য ক্ষেত্ৰত লুটপাত কৰা।**

১২৬। যিয়েই, [১][ভাৰত চৰকাৰ] ৰ লগত মৈত্ৰী সম্পৰ্ক ৰখা কোনো শক্তিৰ ৰাজ্য ক্ষেত্ৰত লুটপাত কৰে বা লুটপাত কৰিবলৈ প্ৰস্তুতি কৰে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে যাৰ অৱধি সাত বছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে, দণ্ডিত হব আৰু জৰিমনাৰ বাবেওঁ দায়ী হব আৰু তেনে লুটপাত কৰণত ব্যৱহৃত কৰা বা ব্যৱহাৰ কৰিবলৈ অভিপ্ৰেত বা এনে লুটপাতৰ দ্বাৰা অৰ্জিত কোনো সম্পত্তি বাজেয়াপ্তৰ বাবেও দায়ী হব।

**ধাৰা সমূহ ১২৫ আৰু ১২৬ ত উল্লিখিত যুদ্ধ বা লুটপাতৰ দ্বাৰা লোৱা সম্পত্তিৰ গ্ৰহণ।**

১২৭। যিয়েই, ধাৰা সমূহ ১২৫ আৰু ১২৬ ত উল্লিখিত অপৰাধ সমূহ সংঘটনত লোৱা হৈছে বুলি জানি কোনো সম্পত্তি গ্ৰহণ কৰে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে যাৰ অৱধি সাত বছৰলৈ বিস্তাৰিত হব পাৰে, দণ্ডিত হব আৰু জৰিমনাৰ বাবেওঁ দায়ী হব আৰু এনেদৰে প্ৰাপ্ত সম্পত্তি বাজেয়াপ্ত হব।

**লোক সেৱকে, স্বেচ্ছাই ৰাষ্ট্ৰবন্দী বা যুদ্ধবন্দীক পলাবলৈ দিয়ে।**

১২৮। যিয়েই, লোক সেৱক হৈ তেওঁৰ অভিৰক্ষাত থকা কোনো ৰাষ্ট্ৰ বন্দী বা যুদ্ধ বন্দীক স্বেচ্ছাই তেনে বন্দীক কোনো স্থানৰ পৰা য'ত এনে বন্দীক পৰিৰুদ্ধ কৰি ৰখা হয় তেনে স্থানৰ পৰা পলাই সাৰিবলৈ দিয়ে, তেওঁ [২][আজীৱন কাৰাবাসে] ৰে বা দুই প্ৰকাৰৰ এটা কাৰাবাসৰে যাৰ অৱধি দহ বছৰলৈ বিস্তাৰিত হব পাৰে, দণ্ডিত হব আৰু জৰিমনাৰ বাবে দায়ী হব।

**লোক সেৱকে, অসাৱধানতাৰে তেনে বন্দীক পলাই যোৱাটো সহ্য কৰে।**

১২৯। যিয়েই, লোক সেৱক হৈ কোনো ৰাষ্ট্ৰ বন্দীক বা যুদ্ধ বন্দীক অভিৰক্ষাত ৰাখি তেনে বন্দীক কোনো স্থানৰ পৰা য'ত তেনে বন্দীক পৰিৰুদ্ধ কৰা হৈছে, অসাৱধানতাৰে পলাই যোৱাটো সহ্য কৰি থাকে, তেওঁ তিনি বছৰলৈ বিস্তাৰিত হব পৰা এটা অৱধিৰ বিনাশ্ৰম কাৰাবাসেৰে দণ্ডিত হব আৰু জৰিমনাৰ বাবেও দায়ী হব।

**এনে বন্দীক পলাই যোৱাত সাহায্য কৰা, উদ্ধাৰ কৰা বা আশ্ৰয় দিয়া।**

১৩০। যিয়েই, কোনো ৰাষ্ট্ৰ বন্দী বা যুদ্ধ বন্দীক জানি শুনিও বিধি সন্মত অভিৰক্ষাৰ পৰা পলাই সৰাত সাহায্য কৰে বা সহায় কৰে, বা এনে বন্দীক উদ্ধাৰ কৰে বা উদ্ধাৰ কৰিবলৈ প্ৰয়াস কৰে বা এনে কোনো বন্দীক যি বিধিসন্মত অভিৰক্ষাৰ পৰা পলাই সাৰিছে, তেনে বন্দীক আশ্ৰয় দিয়ে

---

১। অনুকূলন আদেশ, ১৯৫০ ৰ দ্বাৰা "মহাৰাণী" ৰ বাবে প্ৰতিষ্ঠাপিত।

২। ১৯৫৫ চনৰ ২৬ নং অধিনিয়মৰ ধাৰা ১১৭ আৰু অনুসূচীৰ দ্বাৰা "আজীৱন নিৰ্বাসন" ৰ বাবে প্ৰতিষ্ঠাপিত। (১-১-১৯৫৬ ৰ পৰা প্ৰভাৱী হোৱাকৈ)।

বা লুকুৱাই ৰাখে, আৰু এনে বন্দীক পুনৰ ধৰাত প্ৰতিৰোধ কৰে বা প্ৰতিৰোধ কৰিবলৈ প্ৰয়াস কৰে, তেওঁ [1][আজীৱন কাৰাবাসে] ৰে বা দুই প্ৰকাৰৰ এটা কাৰাবাসেৰে যাৰ অৱধি দহ বছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে, দণ্ডিত হব আৰু জৰিমনাৰ বাবেও দায়ী হব।

**স্পষ্টীকৰণ** ঃ- কোনো ৰাষ্ট্ৰ বন্দীক বা যুদ্ধ বন্দীক যাক তেওঁৰ পেৰোলত [2][ভাৰত] ৰ কোনো নিৰ্দিষ্ট সীমাৰ ভিতৰত মুক্ত ভাবে থাকিবলৈ দিয়া হয়, যদি যিটো সীমাৰ ভিতৰত তেওঁক মুক্ত ভাবে থাকিবলৈ দিয়া হয় তেওঁ সেই সীমাৰ বাহিৰলৈ যায় তেওঁক বিধি সন্মত অভিৰক্ষাৰ পৰা পলাই সৰা বুলি কোৱা হয়।

## অধ্যায় ৭

### সেনা বাহিনী, [3][নৌ বাহিনী, আৰু বিমান বাহিনী] সম্বন্ধীয় অপৰাধ বোৰৰ বিষয়ে

বিদ্ৰোহৰ অপপ্ৰেৰণা সৈনিক, নাবিক বা বৈমানিকক তেওঁৰ কৰ্ত্তব্যৰ পৰা বিচলিত কৰাৰ প্ৰয়াস।

১৩১। যিয়েই, [4][ভাৰত চৰকাৰ]ৰ সেনা বাহিনী, [3][নৌ বাহিনী বা বিমান বাহিনী]ৰ কোনো পদাধিকাৰী, সৈনিক, [5][নাবিক বা বৈমানিকৰ] ৰ দ্বাৰা বিদ্ৰোহ কৰাৰ অনুপ্ৰেৰণা দিয়ে বা কোনো এনে পদাধিকাৰী, সৈনিক [6][নাবিক, বা বৈমানিক] ক তেওঁৰ আনুগত্য বা কৰ্ত্তব্যৰ পৰা বিচলিত কৰিবলৈ প্ৰয়াস কৰে,

তেওঁ [1][আজীৱন কাৰাবাস] ৰে বা দুই প্ৰকাৰৰ এটা কাৰাবাসৰে যাৰ অৱধি দহ বছৰলৈ বিস্তাৰিত হব পাৰে, দণ্ডিত হব আৰু জৰিমনাৰ বাবেও দায়ী হব।

[7][**স্পষ্টীকৰণ** - এই ধাৰাত "পদাধিকাৰী" [8][সৈনিক], [9][নাবিক], আৰু "বৈমানিক]" শব্দ

---

১। ১৯৫৫ চনৰ ২৬ নং অধিনিয়মৰ ধাৰা ১১৭ আৰু অনুসূচীৰ দ্বাৰা "আজীৱন নিৰ্বাসন" ৰ বাবে প্ৰতিষ্ঠাপিত। (১-১-১৯৫৬ ৰ পৰা প্ৰভাৱী হোৱাকৈ)।

২। "বৃটিশ ভাৰত" শব্দ সমূহ অনুকূলন আদেশ, ১৯৪৮, অনুকূলন আদেশ, ১৯৫০ আৰু ১৯৫১ চনৰ ৩ নং অধিনিয়মৰ ধাৰা ৩ আৰু অনুসূচীৰ দ্বাৰা উপৰোক্ত ভাবে পঠিত হবলৈ ক্ৰমাগত ভাবে প্ৰতিষ্ঠাপিত হৈছে।

৩। ১৯২৭ চনৰ ১০ নং অধিনিয়মৰ ধাৰা ২, আৰু অনুসূচী ১ ৰ দ্বাৰা "আৰু নৌ বাহিনী"ৰ বাবে প্ৰতিষ্ঠাপিত।

৪। অনুকূলন আদেশ, ১৯৫০ ৰ দ্বাৰা "মহাৰাণী" ৰ বাবে প্ৰতিষ্ঠাপিত।

৫। ১৯২৭ চনৰ ১০ নং অধিনিয়মৰ ধাৰা২ আৰু অনুসূচী ১ ৰ দ্বাৰা "বা নাবিক" ৰ বাবে প্ৰতিষ্ঠাপিত।

৬। ১৯২৭ চনৰ ১০ নং অধিনিয়মৰ ধাৰা ২ আৰু অনুসূচী ১ ৰ দ্বাৰা, "বা নাবিক" ৰ বাবে প্ৰতিষ্ঠাপিত।

৭। ১৮৭০ চনৰ ২৭ নং অধিনিয়মৰ ধাৰা ৬ৰ দ্বাৰা অন্তঃস্থাপিত।

৮। ১৯২৭ চনৰ ১০ নং অধিনিয়মৰ ধাৰা ২ আৰু অনুসূচী ১ ৰ দ্বাৰা "আৰু সৈনিক"ৰ বাবে প্ৰতিষ্ঠাপিত।

৯। ১৯৩৪ চনৰ ৩৫ নং অধিনিয়মৰ ধাৰা ২ আৰু অনুসূচীৰ দ্বাৰা অন্তঃস্থাপিত।

সমূহে যথাস্থিতি [১][সেনা অধিনিয়ম, [২][সেনা অধিনিয়ম, ১৯৫০, (১৯৫০ ৰ ৪৬) [৩][ নাবিক অনুশাসন অধিনিয়ম, [৪][ভাৰতীয় নৌ বাহিনী (অনুশাসন), অধিনিয়ম, ১৯৩৪, (১৯৩৪ ৰ ৩৪) [৫]xxx [৬][বিমান বাহিনী অধিনিয়ম বা [৭][ বিমান বাহিনী অধিনিয়ম, ১৯৫০ (১৯৫০ ৰ ৪৫)ৰ অধ্যাধীন যি কোনো ব্যক্তিকে অন্তৰ্ভুক্ত কৰে।

**বিদ্ৰোহৰ অপপ্ৰেৰণা, যদি তাৰ পৰিণামত বিদ্ৰোহ সংঘটিত হয়।**

১৩২। যিয়েই, [৮][ভাৰত চৰকাৰ] ৰ সেনা বাহিনী, [৯][নৌ-বাহিনী, বা বিমান বাহিনী]ৰ কোনো পদাধিকাৰী সৈনিক [১০][নাবিক বা বৈমানিক]ক বিদ্ৰোহ কৰাত অপপ্ৰেৰণা দিয়ে, যদি অপপ্ৰেৰণাৰ পৰিণামত বিদ্ৰোহ সংঘটিত হয়, তেওঁ মৃত্যু বা [১১][আজীৱন কাৰাবাস]ৰে বা দুই প্ৰকাৰৰ এটা কাৰাবাসৰে যাৰ অৱধি দহ বছৰলৈ বিস্তাৰিত হব পাৰে, দণ্ডিত হব আৰু জৰিমনাৰ বাবেও দায়ী হব।

**সৈনিক, নাবিক বা বৈমানিকৰ দ্বাৰা তেওঁৰ উচ্চতৰ পদাধিকাৰীক, যেতিয়া তেওঁৰ পদৰ নিৰ্বহনত অভ্যাঘাতৰ অপপ্ৰেৰণা দিয়ে।**

১৩৩। যিয়েই, [৮][ভাৰত চৰকাৰ]ৰ সেনা বাহিনী, [৯][নৌ-বাহিনী, বা বিমান বাহিনী]ৰ কোনো পদাধিকাৰী সৈনিক, [১০][নাবিক বা বৈমানিক]ক কোনো উচ্চতৰ পদাধিকাৰী পদৰ নিৰ্বহন কৰি থাকোতে অভ্যাঘাত কৰিবলৈ অপপ্ৰেৰণা দিয়ে তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে যাৰ অৱধি তিনি বছৰলৈ বিস্তাৰিত হব পাৰে, দণ্ডিত হব আৰু জৰিমনাৰ বাবেও দায়ী হব।

**এনে অভ্যাঘাতৰ অপপ্ৰেৰণা যদি এনে অভ্যাঘাত সংঘটিত কৰা হয়।**

১৩৪। যিয়েই, [৮][ভাৰত চৰকাৰ]ৰ সেনা বাহিনী, [৯][নৌ-বাহিনী, বা বিমান বাহিনী] ৰ পদাধিকাৰী, সৈনিক, [১০][নাবিক বা বৈমানিক]ৰ দ্বাৰা কোনো উচ্চতৰ পদাধিকাৰীক পদৰ নিৰ্বহন কৰি থাকোতে অভ্যাঘাতৰ অপপ্ৰেৰণা দিয়ে, যদি তেনে অপপ্ৰেৰণাৰ পৰিণামত অভ্যাঘাত সংঘটিত হয়, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে যাৰ অৱধি সাত বছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে, দণ্ডিত হব আৰু জৰিমনাৰ বাবেও দায়ী হব।

**সৈনিক, নাবিক বা বৈমানিকক পৰিত্যাগকৰণৰ অপপ্ৰেৰণা।**

১৩৫। যিয়েই, [৮][ভাৰত চৰকাৰ]ৰ সেনা বাহিনী, [৯][নৌ-বাহিনী, বা বিমান বাহিনী]ৰ কোনো পদাধিকাৰী, সৈনিক, [১০][নাবিক বা বৈমানিক]ক পৰিত্যাগৰ কৰণৰ অপপ্ৰেৰণা দিয়ে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে যাৰ অৱধি দুই বছৰলৈ বিস্তাৰিত হব পাৰে, বা জৰিমনাৰে বা উভয়েৰে দণ্ডিত হব।

**পৰিত্যাগীক আশ্ৰয় দান।**

১৩৬। যিয়েই, এতৎপশ্চাত ব্যতিৰেকে, এইটো জানিও বা বিশ্বাস কৰাৰ কাৰণ থকাত যে [৮][ভাৰত চৰকাৰ]ৰ সেনা বাহিনী, [৯][নৌ-বাহিনী, বা বিমান বাহিনী]ত থকা কোনো পদাধিকাৰী, সৈনিক, [১০][নাবিক বা বৈমানিক]ক পৰিত্যাগ কৰিছে, তেনে পদাধিকাৰী, সৈনিক, [৩][নাবিক বা বৈমানিক]ক

---

১। ১৯২৭ চনৰ ১০ নং অধিনিয়মৰ ধাৰা ২ আৰু অনুসূচী ১ ৰ দ্বাৰা "হাৰ মেজিষ্টি" ৰ সৈন্য বাহিনীৰ সুশাসনৰ বাবে যুদ্ধ নিয়মাৱলী বা ১৮৬৯ চনৰ ৫ নং অধিনিয়মত অন্তৰ্বিষ্ট নিয়মাৱলী" ৰ বাবে প্ৰতিষ্ঠাপিত।

২। ১৯৫১ চনৰ ৩ নং অধিনিয়মৰ ধাৰা ৩ আৰু অনুসূচীৰ দ্বাৰা "ভাৰতীয় সেনা বাহিনী "১৯১১ৰ বাবে প্ৰতিষ্ঠাপিত।

৩। ১৯৩৪ চনৰ ৩৫ নং অধিনিয়মৰ ধাৰা ২ আৰু অনুসূচীৰ দ্বাৰা অন্তঃস্থাপিত।

৪। এতিয়া নৌ বাহিনী অধিনিয়ম ১৯৫৭ ৰ (১৯৫৭ ৰ ৬২) চাওক।

৫। শব্দ সমূহ "দ্বাৰা ৰূপান্তৰিত সেই অধিনিয়ম "অনুকূলন আদেশ, ১৯৫০ৰ দ্বাৰা লোপ কৰা হৈছে।

৬। ১৯৩২ চনৰ ১৪ নং অধিনিয়মৰ ধাৰা ১৩০ আৰু অনুসূচীৰ দ্বাৰা বা বিমান বাহিনী অধিনিয়ম"ৰ বাবে প্ৰতিষ্ঠাপিত।

৭। ১৯৫১ চনৰ ৩ নং অধিনিয়মৰ ধাৰা ৩ আৰু অনুসূচীৰ দ্বাৰা "ভাৰতীয় বিমান বাহিনী অধিনিয়ম, ১৯৩২ "ৰ বাবে প্ৰতিষ্ঠাপিত।

৮। অনুকুলন আদেশ, ১৯৫০ ৰ দ্বাৰা "মহাৰানী" ৰ বাবে প্ৰতিষ্ঠাপিত।

৯। ১৯২৭ চনৰ ১০ নং অধিনিয়মৰ ধাৰা ২ আৰু অনুসূচী ১ ৰ দ্বাৰা "বা নৌ বাহিনী"ৰ বাবে প্ৰতিষ্ঠাপিত।

১০। একে অধিনিয়মৰ ধাৰা ২ আৰু অনুসূচী ১ ৰ দ্বাৰা "বা নাবিক" ৰ বাবে প্ৰতিষ্ঠাপিত।

১১। ১৯৫৫ চনৰ ২৬ নং অধিনিয়মৰ ধাৰা ১১৭ আৰু অনুসূচীৰ দ্বাৰা "আজীৱন নিৰ্বাসন"ৰ বাবে প্ৰতিষ্ঠাপিত।

আশ্ৰয় দিয়ে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসেৰে যাৰ অৱধি দুই বছৰলৈ বিস্তাৰিত হব পাৰে বা জৰিমনাৰে বা উভয়েৰে দণ্ডিত হব।

ব্যতিক্ৰম ঃ- এই উপবন্ধটো এগৰাকী পত্নীয়ে তেওঁৰ স্বামীক আশ্ৰয় দান কৰা ক্ষেত্ৰলৈ বিস্তাৰিত নহয়।

গৰাকীৰ অৱহেলাৰ বাবে বাণিজ্যিক জলযানত লুকাই থকা পৰিত্যাগী।

১৩৭। কোনো বাণিজ্যিক জলযানত [1][ভাৰত চৰকাৰ]ৰ সেনা বাহিনী, [2][নৌ-বাহিনী, বা বিমান বাহিনী]ৰ কোনো পৰিত্যাগীয়ে লুকাই থাকে, বাণিজ্যিক জলযানৰ গৰাকী বা ভাৰপ্ৰাপ্ত পদাধিকাৰী যদিও এনে লুকাই থকাৰ বিষয়ে অজ্ঞ, পাঁচশ টকাৰ অধিক নোহোৱা দণ্ডৰ বাবে দায়ী হব যদি তেওঁ তেনে গৰাকী বা ভাৰপ্ৰাপ্ত ব্যক্তি হিচাবে তেওঁৰ কৰ্ত্তব্য অৱহেলা নকৰা হলে বা জলযানৰ ওপৰত কিছু অনুশাসনৰ অভাৱ নোহোৱা হলে এনে লুকাই থকাৰ বিষয়ে জানিব পাৰিলেহেতেন।

সৈনিক, নাবিক বা বৈমানিকৰ দ্বাৰা অনধীনতাৰ কাৰ্য্যৰ অপপ্ৰেৰণা।

১৩৮। যিয়েই, যিটো তেওঁ [1][ভাৰত চৰকাৰ]ৰ সেনা বাহিনী, [2][নৌ-বাহিনী, বা বিমান বাহিনী]ৰ কোনো পদাধিকাৰ, সৈনিক, [3][নাবিক বা বৈমানিক]ৰ দ্বাৰা এটা অনধীনতাৰ কাৰ্য্য বুলি জানি অপপ্ৰেৰণা দিয়ে, যদি এনে অপপ্ৰেৰণাৰ পৰিণামত অনধীনতাৰ কাৰ্য্য সংঘটিত হয়, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে যাৰ অৱধি ছয় মাহলৈ বিস্তাৰিত হব পাৰে, বা জৰিমনাৰে বা উভয়েৰে দণ্ডিত হব।

১৩৮ক। [ভাৰতীয় সামুদ্ৰিক সেৱাত পূৰ্বগামী ধাৰাবোৰৰ প্ৰয়োগ] সংশোধনী অধিনিয়ম, ১৯৩৪ (১৯৩৪ ৰ৩৫)ৰ ধাৰা ২ আৰু অনুসূচীৰ দ্বাৰা নিৰসিত।

কোনো নিৰ্দ্দিষ্ট অধিনিয়মৰ অধ্যধীন ব্যক্তি।

১৩৯। কোনো ব্যক্তি যি [4][সেনা বাহিনী অধিনিয়ম,] [5][সেনা বাহিনী অধিনিয়ম, ১৯৫০ (১৯৫০ ৰ,৪৬] বা নৌ বাহিনী অনুশাসন অধিনিয়ম, [6][ভাৰতীয় নৌ বাহিনী (অনুশাসন) অধিনিয়ম, ১৯৩৪ ( ১৯৩৪ ৰ ৩৪] [7][[8]xxxx [9][বিমান বাহিনী অধিনিয়ম, [10][বিমান বাহিনী অধিনিয়ম, ১৯৫০ (১৯৫০ ৰ ৪৫]ৰ অধ্যধীন এই সংহিতাৰ অধীনত দণ্ডনীয় নহয়।

সৈনিক, নাবিক বা বৈমানিকৰ দ্বাৰা ব্যৱহৃত পোচাক-পৰিধান বা প্ৰতীক বহন কৰা কাৰ্য্য।

১৪০। যিয়েই [1][ভাৰত চৰকাৰ]ৰ মিলিটাৰী [2][নৌ বাহিনী বা বিমান বাহিনী], সেৱাৰ সৈনিক, [3][নাবিক বা বৈমানিক] নোহোৱাকৈ তেওঁ যে সৈনিক, [3][নাবিক, বা বৈমানিক] বুলি বিশ্বাস কৰিব পাৰি এনে অভিপ্ৰায় সহ কোনো পোছাক পৰিধান কৰে বা কোনো প্ৰতীক বহন কৰে যিটোৰ সৈনিক [3][নাবিক বা বৈমানিক]ৰ দ্বাৰা পৰিধান কৰা পোছাক বা ব্যৱহৃত প্ৰতীকৰ লগত সাদৃশ্য থাকে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে যাৰ অৱধি তিনি মাহলৈ বিস্তাৰিত হব পাৰে, বা জৰিমনাৰে যিটো পাচঁশ টকালৈ বিস্তাৰিত হব পাৰে বা উভয়েৰে দণ্ডিত হব।

---

১। অনুকুলন আদেশ ১৯৫০ ৰ ধাৰা ২ আৰু অনুসূচী ১ ৰ দ্বাৰা "মহাৰাণীৰ সেনা বাহিনী বা নৌ বাহিনীৰ বাবে যুদ্ধৰ নিয়মাৱলী বা এনে সেনা বাহিনী বা নৌ বাহিনীৰ কোনো ভাগৰ" বাবে প্ৰতিষ্ঠাপিত।

২। ১৯৫১ চনৰ ৩ নং অধিনিয়মৰ ধাৰা ৩ আৰু অনুসূচীৰ দ্বাৰা "ভাৰতীয় সেনা বাহিনী অধিনিয়ম, ১৯১১"ৰ বাবে প্ৰতিষ্ঠাপিত।

৩। এতিয়া নৌ বাহিনী অধিনিয়ম, ১৯৫৭ (১৯৫৭ ৰ ৬২) চাওঁক।

৪। ১৯৩৪ চনৰ ৩৫ নং অধিনিয়মৰ ধাৰা ২ আৰু অনুসূচীৰ দ্বাৰা অন্তঃস্থাপিত।

৫। অনুকূলন আদেশ, ১৯৫০ ৰ দ্বাৰা "দ্বাৰা ৰূপান্তৰিত সেই অধিনিয়ম" শব্দ সমূহ লোপ কৰা হৈছে।

৬। ১৯৩২ চনৰ ১৪ নং অধিনিয়মৰ ধাৰা ১৩০ আৰু অনুসূচীৰ দ্বাৰা "বা বিমান বাহিনী অধিনিয়ম"ৰ বাবে প্ৰতিষ্ঠাপিত।

৭। ১৯৫১ চনৰ ৩ নং অধিনিয়মৰ ধাৰা ৩ আৰু অনুসূচীৰ দ্বাৰা "ভাৰতীয় বিমান বাহিনী অধিনিয়ম, ১৯৩২"ৰ বাবে প্ৰতিষ্ঠাপিত।

৮। অনুকূলন আদেশ, ১৯৫০ ৰ দ্বাৰা "মহাৰাণী" ৰ বাবে প্ৰতিষ্ঠাপিত।

৯। ১৯২৭ চনৰ ১০ নং অধিনিয়মৰ ধাৰা ২ আৰু অনুসূচী ১ৰ দ্বাৰা "বা নৌবাহিনী"ৰ বাবে প্ৰতিষ্ঠাপিত।

১০। একে অধিনিয়মৰ ধাৰা ২ আৰু অনুসূচী ১ ৰ দ্বাৰা "বা নাবিক"ৰ বাবে প্ৰতিষ্ঠাপিত।

## অধ্যায় ৮

### লোক প্ৰশান্তিৰ বিৰুদ্ধে অপৰাধ সমূহৰ বিষয়ে

বিধি বিৰুদ্ধ সমাবেশ।

১৪১। পাঁচজন বা অধিক ব্যক্তিৰ সমাবেশক "বিধি বিৰুদ্ধ সমাবেশ" বুলি অভিহিত কৰা হয়, যদিহে সেই সমাবেশ গঠন কৰা ব্যক্তিবোৰৰ সাধাৰণ উদ্দেশ্যে হয় —

**প্ৰথম** - আপৰাধিক বল প্ৰয়োগৰ দ্বাৰা বা আপৰাধিক বল প্ৰদৰ্শনৰ দ্বাৰা, [1][কেন্দ্ৰীয় বা কোনো ৰাজ্যৰ চৰকাৰ বা সংসদ বা কোনো ৰাজ্যৰ বিধান মণ্ডলী]ক, যি কোনো লোক সেৱকক তেনে লোক সেৱকৰ বিধি সন্মত ক্ষমতাৰ প্ৰয়োগ আতঙ্কিত কৰা, বা

**দ্বিতীয়** - কোনো বিধিৰ বা কোনো বৈধ আদেশিকা নিষ্পাদন প্ৰতিৰোধ কৰা, বা

**তৃতীয়** - কোনো অপকৰ্ম বা আপৰাধিক অনধিকাৰ প্ৰবেশ বা অন্য অপৰাধ সংঘটিত কৰা, বা

**চতুৰ্থ** - কোনো ব্যক্তিক আপৰাধিক বল প্ৰয়োগৰ দ্বাৰা বা আপৰাধিক বল প্ৰদৰ্শনৰ দ্বাৰা কোনো সম্পত্তিৰ দখল লোৱা বা দখল লাভ কৰা বা কোনো ব্যক্তিক পথৰ অধিকাৰ উপভোগৰ পৰা বা পানীৰ ব্যৱহাৰ উপভোগৰ অধিকাৰৰ পৰা বা অন্য অমূৰ্ত্ত অধিকাৰৰ উপভোগৰ পৰা বঞ্চিত কৰা, যিটো অধিকাৰ তেওঁ দখল কৰি বা উপভোগ কৰি আছে, বা কোনো অধিকাৰ বা অনুমতি অধিকাৰ বলবৎ কৰা, বা

**পঞ্চম** - আপৰাধিক বল প্ৰয়োগৰ দ্বাৰা, বা আপৰাধিক বল প্ৰদৰ্শনৰ দ্বাৰা, কোনো ব্যক্তিক, তেওঁ যিটো কৰিবলৈ বৈধ ৰূপে আৱদ্ধ নহয় সেইটো কৰাৰ বাবে, বা যিটো কৰিবলৈ তেওঁ বৈধ ৰূপে হক্‌দাৰ সেইটো কৰাত ত্ৰুটী কৰিবলৈ, বাধ্য কৰা।

**স্পষ্টীকৰণ** - মিলিত হোৱাৰ সময়ত যিটো সমাৱেশ বিধি বিৰুদ্ধ নাছিল, পিছলৈ সেইটো বিধি বিৰুদ্ধে সমাৱেশ হব পাৰে।

বিধি বিৰুদ্ধ সমাৱেশৰ সদস্য হোৱা।

১৪২। যিয়ে, এনে তথ্যবোৰৰ বিষয়ে জ্ঞাত হৈও, যিবিলাকে কোনো সমাবেশক বিধি বিৰুদ্ধ সমাবেশত পৰিণত কৰে অভিপ্ৰায়সহ সেই সমাৱেশত যোগদান কৰে বা এই সমাবেশত যোগদান কৰিয়েই থাকে তেওঁক বিধি বিৰুদ্ধ সমাৱেশৰ সদস্য বুলি কোৱা হয়।

দণ্ড।

১৪৩। যিয়ে কোনো বিধি বিৰুদ্ধ সমাৱেশৰ সদস্য হয়, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে যাৰ অৱধি ছয়মাহ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে বা জৰিমনাৰে বা উভয়ৰে, দণ্ডিত হব।

মাৰাত্মক অস্ত্ৰ-শস্ত্ৰৰে সজ্জিত হৈ বিধি বিৰুদ্ধ সমাৱেশত যোগদান।

১৪৪। যিয়ে, কোনো মাৰাত্মক অস্ত্ৰ শস্ত্ৰৰে সজ্জিতহৈ, বা কোনো এনে বস্তুৰে সজ্জিত হৈ যি বস্তু আক্ৰমণৰ অস্ত্ৰ হিচাপ ব্যৱহাৰ কৰিলে মৃত্যু ঘটোৱাৰ সম্ভাৱনা আছে, কোনো বিধি বিৰুদ্ধ সমাবেশৰ সদস্য হয়, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে যাৰ অৱধি দুবছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে বা জৰিমনাৰে বা উভয়ৰে দণ্ডিত হব।

কোনো বিধি বিৰুদ্ধ সমাৱেশত ইয়াক ছত্ৰ ভঙ্গ কৰাৰ আদেশ দিয়া বুলি জানিও যোগদান কৰা বা কৰি থকা।

১৪৫। যিয়ে, কোনো বিধি বিৰুদ্ধ সমাবেশ বিধিৰ দ্বাৰা বিহিত কৰা ধৰণে ছত্ৰ ভঙ্গ কৰিবলৈ আদেশ দিয়া হৈছে বুলি জানিও, এনে বিধি বিৰুদ্ধ সমাবেশত যোগদান কৰে বা যোগদান কৰিয়েই থাকে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে যাৰ অৱধি দুবছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে বা জৰিমনাৰে বা উভয়ৰে দণ্ডিত হব।

---

১। বিধি অনুকূলন আদেশ, ১৯৫০ ৰ দ্বাৰা "কেন্দ্ৰীয় বা প্ৰাদেশিক চৰকাৰ বা বিধান মণ্ডল"ৰ বাবে প্ৰতিষ্ঠাপিত।

**ডাঙ্গী কৰা।**

১৪৬। যেতিয়া কোনো বিধি বিৰুদ্ধ সমাৰেশৰ দ্বাৰা বা তাৰ কোনো সদস্যৰ দ্বাৰা তেনে সমাৰেশৰ সাধাৰণ উদ্দেশ্য অনুধাৱনৰ বাবে, বল বা হিংসা প্ৰয়োগ কৰা হয়, তেনে সমাৰেশৰ প্ৰত্যেক সদস্যই ডাঙ্গাঁ কৰা অপৰাধটোৰ বাবে দোষী হয়।

**ডাঙ্গী কৰাৰ বাবে দণ্ড।**

১৪৭। যিয়ে, ডাঙ্গাঁ কৰাৰ বাবে দোষী হয়, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে যাৰ অৱধি দুবছৰৰ বাবে বিস্তাৰিত হব পাৰে, বা জৰিমনাৰে বা উভয়ৰে দণ্ডিত হব।

**মাৰাত্মক অস্ত্ৰ-শস্ত্ৰৰে সজ্জিত হৈ ডাঙ্গী কৰা।**

১৪৮। যিয়ে, কোনো মাৰাত্মক অস্ত্ৰেৰে সজ্জিত হৈ বা কোনো বস্তুৰে সজ্জিত হৈ, যি বস্তুটো আক্ৰমণ অস্ত্ৰ ৰূপে ব্যৱহাৰ কৰিলে, মৃত্যু ঘটোৱাৰ সম্ভৱনা আছে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে যাৰ অৱধি তিনিবছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে, বা জৰিমনাৰে বা উভয়ৰে, দণ্ডিত হব।

**বিধি বিৰুদ্ধ সমাৰেশৰ প্ৰত্যেক সদস্যই সাধাৰণ উদ্দেশ্যৰ অনুধাৱনত কৰা অপৰাধৰ বাবে দোষী।**

১৪৯। যদি কোনো বিধি বিৰুদ্ধ, সমাৰেশৰ কোনো সদস্যৰ দ্বাৰা সেই সমাৰেশৰ সাধাৰণ উদ্দেশ্যৰ অনুধাৱনত কোনো অপৰাধ সংঘটিত কৰা হয় বা তেনে ধৰণৰ কোনো অপৰাধ যদি সংঘটিত হয়, যিটো সেই সমাৰেশৰ সদস্য সকলে সেই উদ্দেশ্যৰ অনুধাৱনত সংঘটিত হোৱাৰ সম্ভাৱনা বুলি জানিছিল, সেই অপৰাধটো সংঘটিত কৰাৰ সময়ত সেই একে সমাৰেশৰ সদস্য হৈ থকা প্ৰত্যেক ব্যক্তিয়ে, সেই অপৰাধটোৰ বাবে দোষী হব।

**বিধি বিৰুদ্ধ সমাবেশত যোগদান কৰিবলৈ ব্যক্তিবোৰক ভাৰালৈ লোৱা বা ভাৰালৈ লোৱাত মৌন সন্মতি দিয়া।**

১৫০। যিয়ে, কোনো ব্যক্তিক কোনো বিধি বিৰুদ্ধ সমাৰেশত যোগদান কৰিবলৈ বা ইয়াৰ সদস্য হবলৈ ভাৰালৈ লয় বা নিযুক্ত কৰে বা নিয়োগ কৰে বা ভাৰাত লোৱাৰ বাবে বা নিযুক্ত বা নিয়োজিতকৰাৰ বাবে সংপ্ৰৱৰ্ত্তিত কৰে বা ইয়াত মৌন সন্মতি দিয়ে, তেওঁ তেনে বিধি বিৰুদ্ধ সমাবেশৰ এজন সদস্য ৰূপে আৰু তেনে বিধি বিৰুদ্ধ সমাবেশৰ সদস্য ৰূপে কোনো এনে ব্যক্তিৰ দ্বাৰা তেনেদৰে ভাৰা লোৱাৰ, নিযুক্তিৰ বা নিয়োগৰ অনুসৰণত সংঘটিত কৰিব পৰা কোনো অপৰাধৰ বাবে একে ধৰণে দণ্ডনীয় হব, যেনিবা তেওঁ তেনে বিধি বিৰুদ্ধ সমাবেশৰ সদস্যহে আছিল বা তেওঁ নিজেই তেনে অপৰাধ সংঘটিত কৰিছিল।

**পাচজন বা অধিক ব্যক্তিৰ সমাবেশ সেইটো ছত্ৰ-ভঙ্গ কৰিবলৈ আদেশ দিয়াৰ পিছতো জানিশুনি যোগদান কৰা বা কৰিয়েই থকা।**

১৫১। যিয়ে, লোক শান্তিৰ বিঘিনি ঘটোৱাৰ সম্ভৱনা থকা পাচঁজন বা অধিক ব্যক্তিৰ কোনো সমাবেশৰ, তেনে সমাবেশ ছত্ৰ-ভঙ্গ কৰিবলৈ বিধি সন্মত আদেশ দিয়াৰ পিছত, জানিশুনি যোগদান কৰে বা কৰিয়েই থাকে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসেৰে যাৰ অৱধি ছমাহলৈ বিস্তাৰিত হব পাৰে, বা জৰিমনাৰে বা উভয়ৰে দণ্ডিত হব।

**স্পষ্টীকৰণ** - যদি সেই সমাবেশ ধাৰা ১৪১ ৰ অৰ্থত বিধি বিৰুদ্ধ সমাবেশ হয়, অপৰাধীজন ধাৰা ১৪৫ৰ অধীনত দণ্ডনীয় হব।

**ডাঙ্গা আদি দমন কৰাত লোক সেৱকক অভ্যাঘাত কৰা বা বাধাদান কৰা।**

১৫২। যিয়ে, কোনো লোক সেৱকক এনে লোক সেৱক ৰূপে তেওঁৰ কৰ্ত্তব্য নিৰ্বহনত কোনো বিধি বিৰুদ্ধ সমাবেশ ভঙ্গ কৰিবলৈ বা কোনো ডাঙ্গাঁ বা হাঙ্গামা দমন কৰিবলৈ প্ৰযত্ন কৰাৰ কাৰণে অভ্যাঘাত কৰে বা অভ্যাঘাতৰ ভাবুকি দিয়ে বা বাধাদান কৰে বা বাধাদানৰ প্ৰয়াস কৰে বা এনে লোক সেৱকৰ প্ৰতি আপৰাধিক বল প্ৰয়োগ কৰে বা প্ৰয়োগ কৰিবলৈ ভাবুকি দিয়ে বা কৰিবলৈ প্ৰয়াস কৰে, তেওঁ, দুই প্ৰকাৰৰ এটা কাৰাবাসৰে যাৰ অৱধি তিনি বছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে, বা জৰিমনাৰে বা উভয়ৰে দণ্ডিত হব।

**ডাঙ্গা ঘটোৱাৰ অভিপ্ৰায়েৰে স্বৈৰিতাৰে প্ৰকোপন দিয়া-যদিহে ডাঙ্গাঁ সংঘটিত হয়; যদিহে ডাঙ্গা সংঘটিত কৰা নহয়।**

১৫৩। যিয়ে, কোনো অবৈধ কাৰ্য্য কৰণৰ দ্বাৰা কোনো ব্যক্তিক পৰিদ্বেষেৰে বা স্বৈৰিতাৰে এই অভিপ্ৰায়েৰে বা এইটো সম্ভাব্য বুলি জানি প্ৰকোপন দিয়ে যে এনে প্ৰকোপনৰ পৰিণামত ডাঙ্গাঁ অপৰাধ সংগঠিত হব যদিহে তেনে প্ৰকোপনৰ পৰিণামত ডাঙ্গাঁ অপৰাধটো সংঘটিত হয়, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে যাৰ অৱধি এবছৰলৈ বিস্তাৰিত হব পাৰে বা জৰিমনাৰে বা উভয়ৰে দণ্ডিত হব ; আৰু যদি ডাঙ্গাঁ অপৰাধটো সংঘটিত নহয় তেওঁ দুয়ো প্ৰকাৰৰ এটা কাৰাবাসৰে যাৰ অৱধি ছমাহলৈ বিস্তাৰিত হব পাৰে বা জৰিমনাৰে বা উভয়ৰে দণ্ডিত হব।

বিভিন্ন জনগোষ্ঠীৰ মাজত ধৰ্ম, বংশ, জন্ম স্থান, বাসস্থান ভাষা ইত্যাদিৰ আধাৰত শত্ৰুতা সংপ্ৰৱৰ্ত্তিত কৰা আৰু সম্প্ৰীতি ৰক্ষাত প্ৰতিকূল প্ৰভাৱ পেলোৱা কাৰ্য্যবোৰ কৰা।

[১][১৫৩ক। যিয়ে,

(ক) কোৱা কথা বা লিখিত শব্দসমূহৰ দ্বাৰা বা সংকেতৰ দ্বাৰা বা দৃশ্য ৰূপণৰ দ্বাৰা বা অন্যথা বিভিন্ন ধৰ্মীয়, বংশীয় বা ভাষিক বা আঞ্চলিক গোষ্ঠী সমূহ বা জাতি বা সম্প্ৰদায় সমূহৰ মাজত ধৰ্ম, বংশ জন্মস্থান, বাসস্থান, ভাষা, সম্প্ৰদায় বা যিয়েই নহওক কিয় আন কোনো আধাৰত অপ্ৰীতি বা শত্ৰুতা বা ঘৃণা বা সদভাৱ সংপ্ৰৱৰ্ত্তিত কৰা বা সংপ্ৰৱৰ্ত্তিত কৰিবলৈ প্ৰয়াস কৰে, বা

(খ) এনে যি কোনো কাৰ্য্য সংঘটিত কৰে যি কাৰ্য্যই বিভিন্ন ধৰ্মীয়, বংশীয় বা ভাষিক বা আঞ্চলিক গোষ্ঠীসমূহ বা জাতি বা সম্প্ৰদায়ৰ সমূহৰ মাজত সম্প্ৰীতি ৰক্ষাত প্ৰতিকূল প্ৰভাৱ পেলায় আৰু যি কাৰ্য্যই লোক প্ৰশান্তি বিঘ্নিত কৰে বা বিঘ্নিত কৰাৰ সম্ভাৱনা আছে, [২][বা]

[২][(গ) কোনো এনে অনুশীলন, সঞ্চালন, কুচকাৱাজ বা আন সদৃশ কাৰ্য্য কলাপ কোনো ধৰ্মীয়, বংশীয়, ভাষিক বা আঞ্চলিক গোষ্ঠী বা জাতি বা সম্প্ৰদায়ৰ বিৰুদ্ধে সংগঠিত কৰে যে এনে কাৰ্য্য কলাপত অংশগ্ৰহণকাৰীসকলে আপৰাধিক বল বা হিংসা প্ৰয়োগ কৰিব বা তেওঁলোকক প্ৰয়োগ কৰিবলৈ প্ৰশিক্ষিত কৰা হব বা এইটো সম্ভাব্য বুলি জানি যে এনে কাৰ্য্যকলাপত অংশগ্ৰহণকাৰী সকলে আপৰাধিক বল বা হিংসা প্ৰয়োগ কৰিব বা তেওঁলোকক প্ৰয়োগ কৰিবলৈ প্ৰশিক্ষিত কৰা হব বা আপৰাধিক বল প্ৰয়োগ কৰিবলৈ প্ৰশিক্ষিত কৰিবলৈ অভিপ্ৰায় কৰা এনে কাৰ্য্য কলাপত অংশগ্ৰহণ কৰে বা এইটো সম্ভাব্য বুলি জানি যে এনে কাৰ্য্য কলাপত অংশ গ্ৰহণকাৰী সকলে আপৰাধিক বল বা হিংসা প্ৰয়োগ কৰিব বা তেওঁলোকক প্ৰয়োগ কৰিবলৈ প্ৰশিক্ষিত কৰা হব আৰু এনে কাৰ্য্য কলাপ যি কাৰণতেই নহওক কিয় এনে ধৰ্ম্মীয়, বংশীয়, ভাষিক বা আঞ্চলিক গোষ্ঠী বা জাতিৰ বা সম্প্ৰদায়ৰ মাজত ভয় বা সন্ত্ৰাস বা অসুৰক্ষাৰ ভাৱ জন্মোৱাৰ সম্ভাৱনা আছে।]

তেওঁ কাৰাবাসৰে যাৰ অৱধি তিনি বছৰলৈ বিস্তাৰিত হব পাৰে, বা জৰিমনাৰে বা উভয়ৰে দণ্ডিত হব।

উপাসনাৰ স্থান ইত্যাদিত সংঘটিত হোৱা অপৰাধ।

(২) যিয়ে উপধাৰা (১)ত বিনিৰ্দ্দিষ্ট কোনো অপৰাধ উপাসনাৰ স্থানত বা ধৰ্ম্মীয় উপসনা বা ধৰ্ম্মীয় ধৰ্ম্ম সম্পাদনাত নিয়ুক্তি থকা সমাবেশত সংঘটিত কৰে, তেওঁ কাৰাবাসৰে যাৰ অৱধি পাঁচ বছৰলৈ বিস্তাৰিত হব পাৰে দণ্ডিত হব বা জৰিমনাৰ বাবেও দায়ী হব।

জানি শুনি কোনো শোভাযাত্ৰাত অস্ত্ৰ বহন কৰা বা অস্ত্ৰ সহ কোনো সামূহিক ব্যায়াম বা সামূহিক প্ৰশিক্ষণৰ সংগঠন বা ভূমিক্ষেত্ৰ বা অন্য কোনো সমাবেশত অংশগ্ৰহণ কৰাৰ বাবে দণ্ড।

[৩][১৫৩ কক। যিয়ে জানি শুনি, দণ্ড প্ৰক্ৰিয়া সংহিতা, ১৯৭৩ৰ ধাৰা ১৪৪কৰ অধীনত জাৰি কৰা কোনো লোক সূচনা বা প্ৰণীত কোনো আদেশৰ উলংঘনত কোনো শোভাযাত্ৰাত অস্ত্ৰ বহন কৰে বা কোনো ৰাজহুৱা স্থানত অস্ত্ৰ সহ কোনো সামূহিক ব্যায়াম বা সামূহিক প্ৰশিক্ষন সংগঠন, ভূমিক্ষেত্ৰ, বা সমাবেশত অংশ গ্ৰহণ কৰে, তেওঁ কাৰাবাসেৰে যাৰ অৱধি ছয়মাহলৈ বিস্তাৰিত হব পাৰে বা জৰিমনাৰে যি দুহেজাৰ টকা পৰ্য্যন্ত বিস্তাৰিত হব পাৰে, দণ্ডিত হব।

**স্পষ্টীকৰণ** - "অস্ত্ৰ" মানে অপৰাধ বা প্ৰতিৰক্ষাৰ বাবে যুদ্ধাস্ত্ৰ ৰূপে পৰিকল্পিত বা উপযোগী বা কোনো বৰ্ণনাৰ আহিলা আৰু ই আগ্নেয়াস্ত্ৰ, চোকা অস্ত্ৰ, লাঠি, দাণ্ডা আৰু লাখুটিক অন্তৰ্ভুক্ত কৰে।]

ৰাষ্ট্ৰীয় অখণ্ডতাৰ প্ৰতিকূল প্ৰভাৱ পেলোৱা দোষাৰোপ, উক্তি।

[৪][১৫৩ খ। (১) যিয়েই, কোৱা কথা বা লিখিত শব্দৰে বা সঙ্কেতৰ দ্বাৰা বা দৃশ্য ৰূপণৰ দ্বাৰা বা অন্যথা,...

(ক) এনে কোনো দোষাৰোপ কৰে বা প্ৰকাশিত কৰে যে কোনো শ্ৰেণীৰ ব্যক্তিয়ে, কোনো ধৰ্ম্মীয়, বংশীয়, ভাষিক বা আঞ্চলিক গোষ্ঠী, জাতি বা সম্প্ৰদায়ৰ সদস্য হোৱাৰ কাৰণতে বিধিৰ দ্বাৰা

১। ১৯৬৯ চনৰ ৩৫ নং অধিনিয়মৰ ধাৰা ২ ৰ দ্বাৰা পূৰ্বৰ ধাৰাৰ বাবে প্ৰতিষ্ঠাপিত।

২। ১৯৭২ চনৰ ৩১ নং অধিনিয়মৰ ধাৰা ২ দ্বাৰা অন্তঃস্থাপিত।

৩। ২০০৫ ৰ অধিনিয়ম সংখ্যা ২৫ ৰ ধাৰা ৪৪ ৰ দ্বাৰা অন্তঃস্থাপিত।

৪। ১৯৭২ চনৰ ৩১ নং অধিনিয়মৰ ধাৰা ২ৰ দ্বাৰা অন্তঃস্থাপিত।

স্থাপিত ভাৰতীয় সংবিধানৰ প্ৰতি প্ৰকৃত শ্ৰদ্ধা আৰু নিষ্ঠা বহন কৰিব নোৱাৰে বা ভাৰতৰ সাৰ্বভৌমত্ব আৰু অখণ্ডতা ৰক্ষা কৰিব নোৱাৰে, বা

(খ) এই ধৰণে উক্তি কৰে, পৰামৰ্শ দিয়ে, উপদেশ দিয়ে, প্ৰচাৰ কৰে বা প্ৰকাশিত কৰে যে কোনো শ্ৰেণীৰ ব্যক্তিক কোনো ধৰ্ম্মীয়, বংশীয়, ভাষিক বা আঞ্চলিক গোষ্ঠী বা জাতি বা সম্প্ৰদায়ৰ সদস্য হোৱাৰ কাৰণতেই ভাৰতৰ নাগৰিক হিচাপে তেওঁলোকৰ অধিকাৰ সমূহ দিব নালাগে বা তাৰ পৰা তেওঁলোকক বঞ্চিত কৰিব লাগে, বা

(গ) কোনো শ্ৰেণীৰ ব্যক্তিৰ বাধ্যতা সম্পৰ্কে তেওঁলোক কোনো ধৰ্ম্মীয়, বংশীয়, ভাষিক বা আঞ্চলিক গোষ্ঠী বা জাতি বা সম্প্ৰদায়ৰ সদস্য হোৱাৰ কাৰণত কোনো উক্তি কৰে, পৰামৰ্শ দিয়ে, যুক্তি দৰ্শায় বা আপীল কৰে বা প্ৰকাশিত কৰে আৰু এনে উক্তি, পৰামৰ্শ, যুক্তি বা আপীলে এনে সদস্য আৰু আন ব্যক্তিসকলৰ মাজত অপ্ৰীতি বা শত্ৰুতাৰ ভাৱ বা ঘৃণা বা অসদভাৱ জন্মায় বা জন্মোৱাৰ সম্ভাৱনা আছে, তেওঁ কাৰাবাসৰে যি তিনি বছৰলৈ বিস্তাৰিত হব পাৰে, বা জৰিমনাৰে বা উভয়ৰে দণ্ডিত হব।

(২) যিয়ে উপধাৰা (১)ত বিনিৰ্দ্দিষ্ট কোনো অপৰাধ উপাসনাৰ স্থানত বা ধৰ্ম্মীয় উপাসনা বা ধৰ্ম্মীয় কৰ্ম সম্পাদনত নিযুক্ত থকা সমাৱেশত সংঘটিত কৰে, তেওঁ এটা কাৰাবাসৰে যিটো পাঁচ বছৰলৈ বিস্তাৰিত হব পাৰে দণ্ডিত হব আৰু জৰিমনাৰ বাবেও দায়ী হব।]

**বিধি বিৰুদ্ধ সমাবেশ অনুষ্ঠিত হোৱা স্থানৰ গৰাকী বা দখলকাৰী।**

১৫৪। যেতিয়া কোনো বিধি বিৰুদ্ধ সমাবেশ বা ডাঙ্গাঁ ঘটে, তেনে বিধি বিৰুদ্ধ সমাবেশ হোৱা বা ডাঙ্গাঁ সংঘটিত কৰা ভূমিৰ গৰাকী বা দখলকাৰী আৰু তেনে ভূমিত কোনো স্বাৰ্থ থকা বা স্বাৰ্থ দাবী কৰা কোনো ব্যক্তি অনধিক এহেজাৰ টকাৰ জৰিমনাৰে দণ্ডনীয় হব, যদিহে তেওঁ বা তেওঁৰ অভিকৰ্ত্তাই বা পৰিচালকে তেনে অপৰাধ সংঘটিত কৰি থকা হৈছে বা সংঘটিত কৰা হৈছে বুলি জানিও বা ইয়াক সংঘটিত কৰাৰ সম্ভাৱনা আছে বুলি বিশ্বাস কৰাৰ কাৰণ থকা স্বত্বেও তেওঁৰ বা তেওঁলোকৰ ক্ষমতা থকা তাৰ শীঘ্ৰতম সূচনা নিকটতম আৰক্ষী থানাৰ মুখ্য পদাধিকাৰীক নিদিয়ে, আৰু ইয়াক প্ৰায়, সংঘটিত কৰিব পাৰে বুলি তেওঁৰ বা তেওঁলোকৰ বিশ্বাস কৰিবলৈ কাৰণ থকাৰ ক্ষেত্ৰত ইয়াক নিবাৰণ কৰিবলৈ তেওঁ বা তেওঁলোকৰ ক্ষমতাৰ ভিতৰৰ সকলোবোৰ বিধি সন্মত উপায় ব্যৱহাৰ নকৰে, আৰু এইটো ঘটাৰ ক্ষেত্ৰত, ডাঙ্গাঁটো বা বিধি বিৰুদ্ধ সমাবেশ ভঙ্গ কৰিবলৈ বা দমন কৰিবলৈ তেওঁৰ বা তেওঁলোকৰ ক্ষমতাত থকা সকলোবোৰ বিধি সন্মত উপায় ব্যৱহাৰ নকৰে।

**যাৰ হিতাৰ্থে ডাঙ্গাঁ কৰা হৈছে তেনে ব্যক্তিৰ দায়িত্ব।**

১৫৫। যেতিয়া এনে যিকোনো ব্যক্তিৰ হিতাৰ্থে বা তেওঁৰ হকে ডাঙ্গা সংঘটিত হয়, কোনো ব্যক্তি যি এনে কোনো ভূমিৰ গৰাকী বা দখলকাৰী, যি ভূমিৰ সম্পৰ্কে তেনে ডাঙ্গাঁ ঘটে বা যিজন ব্যক্তিয়ে তেনে ভূমিত বা ডাঙ্গাঁৰ সৃষ্টি কৰা যি কোনো বিবাদৰ বিষয় বস্তুত কোনো স্বাৰ্থ দাবী কৰে বা যিজন ব্যক্তিয়ে তাৰ পৰা কোনো স্বাৰ্থ গ্ৰহণ কৰিছে বা লাভ কৰিছে, তেনে ব্যক্তি জৰিমনাৰে দণ্ডনীয় হব, যদিহে, তেওঁ বা তেওঁৰ অভিকৰ্ত্তাই বা পৰিচালকে তেনে ডাঙ্গাঁ সংঘটিত হোৱাৰ সম্ভাৱনা আছে বুলি বা তেনে ডাঙ্গাঁ সংঘটিত কৰা বিধি বিৰুদ্ধ সমাবেশ অনুষ্ঠিত হব পাৰে বুলি বিশ্বাস কৰিবলৈ কাৰণ থকাত যথাস্থিতি তেনে সমাবেশ বা ডাঙ্গাঁ ঘটাটো নিবাৰণ কৰিবলৈ আৰু তাক দমন কৰিবলৈ বা ভঙ্গ কৰিবলৈ তেওঁৰ বা তেওঁলোকৰ ক্ষমতাত থকা সকলোবোৰ বিধি সন্মত উপায় ব্যৱহাৰ নকৰে।

**যাৰ হিতৰ বাবে ডাঙ্গাঁ সংঘটিত হৈছে তেনে গৰাকী বা দখলকাৰীৰ অভিকৰ্ত্তাৰ দায়িত্ব।**

১৫৬। যেতিয়া এনে যি কোনো ব্যক্তিৰ হিতাৰ্থে বা তেওঁৰ হকে ডাঙ্গাঁ সংঘটিত হয় যিজন ব্যক্তি এনে কোনো ভূমিৰ গৰাকী বা দখলকাৰী যি ভূমিৰ সম্পৰ্কে তেনে ডাঙ্গাঁ ঘটে বা যিজন ব্যক্তিয়ে তেনে ভূমিত বা ডাঙ্গাঁটো সৃষ্টি কৰা যি কোনো বিবাদৰ বিষয় বস্তুত কোনো স্বাৰ্থ দাবী কৰে বা যিজনে তাৰ পৰা কোনো হিত গ্ৰহণ কৰিছে বা লাভ কৰিছে,

তেনে ব্যক্তিৰ অভিকৰ্ত্তা বা পৰিচালক জৰিমনাৰে দণ্ডনীয় হব, যদিহে তেনে অভিকৰ্ত্তা বা পৰিচালকে, তেনে ডাঙ্গাঁ সংঘটিত হোৱাৰ সম্ভাৱনা আছে বুলি বা তেনে ডাঙ্গাঁ সংঘটিত কৰা বিধি বিৰুদ্ধ সমাবেশ অনুষ্ঠিত হব পাৰে বুলি বিশ্বাস কৰাৰ কাৰণ থকাত তেনে ডাঙ্গাঁ বা সমাবেশ হোৱাটো নিবাৰণ কৰিবলৈ আৰু ইয়াক দমন কৰা বা ডাঙ্গাঁ কৰাৰ বাবে তেওঁৰ ক্ষমতাত থকা সকলোবোৰ বিধি সন্মত উপায় ব্যৱহাৰ নকৰে।

বিধি বিৰুদ্ধ সমাবেশলৈ ভাৰালৈ অনা ব্যক্তি বৰ্গক শ্ৰয়দান।

১৫৭। যিয়েই, তেওঁৰ দখলত বা ভাৰাত থকা বা তেওঁৰ নিয়ন্ত্ৰণত থকাকোনো গৃহ বা প্ৰাঙ্গনত এনে কোনো ব্যক্তিক, যি ব্যক্তিক কোনো বিধি বিৰুদ্ধ সমাবেশত যোগদান কৰিবলৈ বা সদস্য হবলৈ ভাৰালৈ অনা হৈছে, নিযুক্ত কৰা হৈছে বা নিয়োগ কৰা হৈছে বা এইমাত্ৰ ভাৰালৈ লোৱা হব, নিযুক্ত কৰা হব বা নিয়োগ কৰা হব, বুলি জানিও আশ্ৰয় দিয়ে, ৰাখে বা সন্মিলিত কৰে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে যাৰ অৱধি ছমাহ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে বা জৰিমনাৰে বা উভয়েৰে দণ্ডিত হব।

বিধি বিৰুদ্ধ সমাবেশ বা ডাঙ্গাত অংশ গ্ৰহণ কৰিবলৈ ভাৰালৈ লোৱা;

১৫৮। যিজনক ধাৰা ১৪১ 'ত বিনিৰ্দ্দিষ্ট কৰা যি কোনো এটা কাৰ্য্য কৰিবলৈ বা কৰাত সহায় কৰিবলৈ নিযুক্ত কৰা হৈছে বা ভাৰালৈ লোৱা হৈছে বা যিজনে ভাৰালৈ যাবলৈ বা নিযুক্ত হবলৈ প্ৰস্তাৱ কৰে বা প্ৰয়াস কৰে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে যাৰ অৱধি ছমাহ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে বা জৰিমনাৰে বা উভয়ৰে দণ্ডিত হব।

বা সশস্ত্ৰ হৈ যোগদান কৰিলে।

আৰু যিজনে উপৰোক্ত ভাবে তেনেদৰে নিযুক্ত হৈ থকা বা ভাৰলৈ থকা অৱস্থাত কোনো মাৰাত্মক অস্ত্ৰেৰে বা এনে যিকোনো বস্তুৰে, যি বস্তুটো আক্ৰমণ অস্ত্ৰ হিচাপে ব্যৱহাৰ কৰিলে মৃত্যু ঘটোৱাৰ সম্ভাৱনা আছে, সজ্জিত হৈ যায় বা অস্ত্ৰেৰে সজ্জিত হৈ যাবলৈ নিজকে নিযুক্তি কৰে বা প্ৰস্তাৱ কৰে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে যাৰ অৱধি দুবছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে বা জৰিমনাৰে বা উভয়েৰে দণ্ডিত হব।

হাঙ্গাঁমা

১৫৯। যেতিয়া দুজন বা অধিক ব্যক্তিয়ে সাৰ্বজনিক স্থানত যুজ কৰি লোক শান্তি বিঘ্নিত কৰে, তেওঁলোকক "হাঙ্গাঁমা কৰা" বুলি কোৱা হয়।

হাঙ্গাঁমা কৰাৰ বাবে দণ্ড।

১৬০। যিয়ে কোনো হাঙ্গাঁমা কৰে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে যাৰ অৱধি এমাহ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে বা জৰিমনাৰে যি এশ টকালৈকে বিস্তৃত হব পাৰে বা উভয়েৰে দণ্ডিত হব।

## অধ্যায় ৯

### লোক সেৱকৰ দ্বাৰা বা লোক সেৱকৰ সম্পৰ্কে অপৰাধ বোৰৰ বিষয়ে

[১]x x x x

কোনো ব্যক্তিৰ ক্ষতি কৰাৰ অভিপ্ৰায়েৰে লোক সেৱকে বিধি অৱজ্ঞা কৰা।

১৬৬। যিয়েই, লোক সেৱক হৈ তেনে লোক সেৱক ৰূপে তেওঁ নিজে কি দৰে আচৰণ কৰিব লাগে সেইটো জানি শুনি সেই বিষয়ে থকা বিধিৰ নিৰ্দেশক অৱজ্ঞা, এই অভিপ্ৰায়েৰে বা এইটো সম্ভাব্য বুলি জানি কৰে যে তেওঁ তেনে অৱজ্ঞাৰ দ্বাৰা কোনো ব্যক্তিৰ ক্ষতি কৰিব পাৰে, তেওঁ বিনাশ্ৰম কাৰাবাসৰে যাৰ অৱধি এবছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে বা জৰিমনাৰে বা উভয়ৰে দণ্ডিত হব।

#### দৃষ্টান্ত

পদাধিকাৰী "ক" ই ডিক্ৰী নিষ্পাদনত সম্পত্তি লবৰ বাবে বিধিৰ দ্বাৰা নিৰ্দেশিত হৈও ন্যায়ালয়ৰ দ্বাৰা "জ"ৰ অনুকূলে ঘোষণা কৰা এটা ডিক্ৰীৰ সন্তুষ্টিৰ বাবে, জানিশুনিও বিধিৰ সেই নিৰ্দেশটো, তাৰ দ্বাৰা তেওঁ "জ"ৰ ক্ষতি কৰা সম্ভাব্য বুলি জানিও অৱজ্ঞা কৰিলে "ক"ই এই ধাৰাত পৰিভাষিত অপৰাধটো সংঘটিত কৰিলে।

লোক সেৱক, যিয়েই ক্ষতি কৰা অভিপ্ৰায়েৰে অশুদ্ধ দস্তাৱেজ ৰচনা কৰা।

১৬৭। যিয়েই, [২][কোনো লোক সেৱক হৈ আৰু এনে লোক সেৱক ৰূপে কোনো দস্তাৱেজ বা ইলেকট্ৰনিক ৰেকৰ্ড ৰচনা বা অনুবাদৰ ভাৰপ্ৰাপ্ত হৈ উক্ত দস্তাৱেজৰ বা ইলেকট্ৰনিক ৰেকৰ্ডৰ ৰচনা বা

১। ১৯৮৮ চনৰ ৪৮ নং অধিনিয়মৰ ধাৰা ৩১ ৰ দ্বাৰা ধাৰা সমূহ ১৬১ ৰ পৰা ১৬৫ক লৈ লোপ কৰা হৈছে।

২। তথ্য প্ৰযুক্তি বিজ্ঞান অধিনিয়ম, ২০০০ ৰ প্ৰথম অনুসূচীৰ ধাৰা ২ৰ দ্বাৰা 'দস্তাৱেজ'ৰ স্থানত প্ৰতিস্থাপিত (২০০০ ৰ ২১ নং অধিনিয়ম)।

অনুবাদ] এনে ধৰণে কৰে যিটো তেওঁ অশুদ্ধ বুলি জানে বা বিশ্বাস কৰে, এই অভিপ্ৰায়েৰে বা এইটো সম্ভাব্য বুলি জানি কৰে যে তাৰ দ্বাৰা তেওঁ কোনো ব্যক্তিৰ ক্ষতি কৰিব পাৰে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে যাৰ অৱধি তিনি বছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে বা জৰিমনাৰে বা উভয়ৰে দণ্ডিত হব।

লোক সেৱক যি বিধি বিৰুদ্ধ ৰূপে বেপাৰত নিযুক্ত হয়।

১৬৮। যিয়ে, লোক সেৱক হৈ, আৰু তেনে লোক সেৱক ৰূপে বেপাৰত নিযুক্ত নহবলৈ বৈধ ভাবে আবদ্ধ হৈও, বেপাৰত নিযুক্ত হয়, তেওঁ বিনাশ্ৰম কাৰাবাসৰে যাৰ অৱধি এবছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে বা জৰিমনাৰে বা উভয়ৰে দণ্ডিত হব।

লোক সেৱক, যি বিধি বিৰুদ্ধ ৰূপে সম্পত্তি ক্ৰয় কৰে বা সম্পত্তিৰ বাবে ডাক দিয়ে।

১৬৯। যিয়ে, লোক সেৱক হৈ আৰু তেনে লোক সেৱক ৰূপে কোনো নিৰ্দ্দিষ্ট সম্পত্তি ক্ৰয় নকৰিবলৈ বা সেই সম্পত্তিৰ বাবে ডাক নিদিবলৈ বৈধ ভাবে আবদ্ধ হৈও সেই সম্পত্তি তেওঁৰ নিজ নামতেই হওঁক বা আন এজনৰ নামতেই হওঁক বা যুটীয়া ভাবে, বা আনৰ সৈতে অংশ অংশ কৈ ক্ৰয় কৰে বা ডাক দিয়ে, তেওঁ বিনাশ্ৰম কাৰাবাসৰে যাৰ অৱধি দুবছৰ লৈ বিস্তাৰিত হব পাৰে বা জৰিমনাৰে বা উভয়ৰে দণ্ডিত হব; আৰু সম্পত্তিটো, যদি ক্ৰয় কৰা হৈছে, বাজেয়াপ্ত কৰা হব।

লোক সেৱকৰ প্ৰতিৰূপণ।

১৭০। যিয়ে, লোক সেৱক ৰূপে কোনো বিশেষ পদ ধাৰণ কৰা নাই বুলি জানিও তেওঁ তেনে পদ ধাৰণ কৰা ভাও দিয়ে বা তেনে পদ ধাৰণ কৰা আন কোনো ব্যক্তিক মিছাকৈ প্ৰতিৰূপণ কৰে, আৰু এনে পদাভাসৰ বলত গৃহীত ৰূপত কোনো কাৰ্য্য কৰে বা কৰিবলৈ প্ৰয়াস কৰে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে যাৰ অৱধি দুই বছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে, বা জৰিমনাৰে বা উভয়ৰে দণ্ডিত হব।

প্ৰবঞ্চনামূলক অভিপ্ৰায়েৰে লোকসেৱকৰ দ্বাৰা ব্যৱহাৰ কৰা পোছাক পৰিধান বা প্ৰতীক ধাৰণ কৰা।

১৭১। যিয়েই, লোক সেৱকৰ কোনো নিৰ্দ্দিষ্ট শ্ৰেণীভুক্ত নোহোৱাকৈ সেই শ্ৰেণীৰ লোক সেৱকৰ দ্বাৰা ব্যৱহাৰ কৰা কোনো পোছাকৰ সদৃশ বা প্ৰতীকৰ সদৃশ প্ৰতীক এই অভিপ্ৰায়েৰে পৰিধান কৰে বা লৈ ফুৰে যাতে ইয়াক বিশ্বাস কৰিব পৰা যায় বা জ্ঞান সহ ইয়াক বিশ্বাস কৰাৰ সম্ভাৱনা আছে যে তেওঁ লোক সেৱকৰ সেই শ্ৰেণীভুক্ত, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে যাৰ অৱধি তিনি মাহলৈ বিস্তাৰিত হব পাৰে বা জৰিমনাৰে যি দুশ টকালৈ বিস্তাৰিত হব পাৰে বা উভয়ৰে দণ্ডিত হব ।

[১][অধ্যায় ৯ ক]

## নিৰ্বাচন সম্বন্ধীয় অপৰাধ সমূহৰ বিষয়ে

"প্ৰাৰ্থী" "নিৰ্বাচন অধিকাৰ" পৰিভাষিত।

১৭১ক। এই অধ্যায়ৰ উদ্দেশ্যৰ বাবে -

[২][ (ক) "প্ৰাৰ্থী" য়ে কোনো নিৰ্বাচনত প্ৰাৰ্থী হিচাবে মনোনীত এজন ব্যক্তিক বুজায়;]

(খ) "নিৰ্বাচন অধিকাৰ" য়ে কোনো নিৰ্বাচনত থিয় হোৱা বা থিয় নোহোৱা বা নিজৰ প্ৰাৰ্থীত্ব প্ৰত্যাহাৰ কৰা বা ভোট দান কৰা বা ভোট দানৰ পৰা বিৰত থকা কোনো ব্যক্তিৰ অধিকাৰ বুজাব।

ভেটি।

১৭১ খ। (১) যিয়ে-

(i) কোনো ব্যক্তিক এই উদ্দেশ্যেৰে পৰিতোষণ দিয়ে যে তেওঁ তেওঁৰ বা আন কোনো ব্যক্তিৰ কোনো নিৰ্বাচন অধিকাৰ প্ৰয়োগ কৰিবলৈ উৎপ্ৰেৰিত কৰে বা কোনো ব্যক্তিক এনে কোনো অধিকাৰৰ প্ৰয়োগ কৰাৰ বাবে পুৰস্কৃত কৰে ; বা

(ii) স্বয়ং নিজৰ বাবে বা অন্য ব্যক্তিৰ বাবে কোনো পৰিতোষণ, এনে কোনো অধিকাৰ প্ৰয়োগৰ বাবে বা আন কোনো ব্যক্তিক এনে কোনো অধিকাৰ প্ৰয়োগৰ বাবে উৎপ্ৰেৰিত কৰা বা

---

১। ১৯২০ ৰ অধিনিয়ম ৩৯ ৰ ধাৰা ২ৰ দ্বাৰা অধ্যায় ৯ক অন্তঃস্থাপিত।

২। ১৯৭৫ ৰ অধিনিয়ম ৪০ ৰ ধাৰা ৯ ৰ দ্বাৰা প্ৰতিষ্ঠাপিত।

উৎপ্ৰেৰিত কৰাৰ প্ৰয়াস কৰাৰ বাবে পুৰস্কাৰ হিচাবে গ্ৰহণ কৰে,

তেওঁ ভেটিৰ অপৰাধ সংঘটন কৰে ঃ

পৰন্তু লোক নীতিৰ ঘোষণা বা লোক কাৰ্য্য ব্যৱস্থাৰ প্ৰতিশ্ৰুতি এই ধাৰাৰ অধীনত অপৰাধ নহব।

(২) যি ব্যক্তিয়ে পৰিতোষণৰ প্ৰস্তাৱ কৰে, বা দিবলৈ সন্মত হয়, বা যোগাৰ ধৰাৰ প্ৰস্তাৱ বা প্ৰয়াস কৰে, তেওঁ পৰিতোষণ দিয়া বুলি গণ্য কৰা হব।

(৩) যি ব্যক্তিয়ে পৰিতোষণ লাভ কৰে বা গ্ৰহণ কৰিবলৈ সন্মত হয় বা লাভ কৰিবলৈ প্ৰয়াস কৰে, তেওঁ পৰিতোষণ গ্ৰহণ কৰা বুলি গণ্য কৰা হব আৰু যি ব্যক্তিয়ে যিটো তেওঁ কৰিবলৈ অভিপ্ৰায় কৰা নাছিল সেই কাম কৰাৰ বাবে হেতু স্বৰূপে বা যিটো তেওঁ কৰা নাছিল সেই কৰাৰ বাবে পুৰস্কাৰ গ্ৰহণ কৰা বুলি গণ্য কৰা হব।

**নিৰ্বাচনত অনুচিত প্ৰভাৱ পেলোৱা।**

১৭১ গ। (১) যিয়ে কোনো নিৰ্বাচন অধিকাৰৰ মুক্ত প্ৰয়োগত স্বইচ্ছাৰে হস্তক্ষেপ কৰে বা হস্তক্ষেপ কৰাৰ প্ৰয়াস কৰে, তেওঁ নিৰ্বাচনত অনুচিত প্ৰভাৱ পেলোৱাৰ অপৰাধ সংঘটন কৰে।

(২) উপধাৰা (১)ৰ উপবন্ধৰ ব্যাপকতাৰ ওপৰত প্ৰতিকূল প্ৰভাৱ নেপেলোৱাকৈ যিয়েই—

(ক) কোনো প্ৰাৰ্থী বা ভোটদাতাক বা কোনো এনে ব্যক্তিক যাৰ সৈতে প্ৰাৰ্থী বা ভোটদাতাৰ স্বাৰ্থ জড়িত, কোনো ধৰণৰ ক্ষতিৰ ভাবুকি দিয়ে, বা

(খ) কোনো প্ৰাৰ্থী বা ভোটদাতাক এনে বিশ্বাস কৰিবলৈ উৎপ্ৰেৰিত কৰে বা উৎপ্ৰেৰিত কৰাৰ প্ৰয়াস কৰে যে তেওঁ বা এনে কোনো ব্যক্তি যাৰ সৈতে তেওঁ স্বাৰ্থ জড়িত, দৈৱিক অপ্ৰসন্নতা বা আধ্যাত্মিক নিন্দাৰ পাত্ৰ হব বা কৰা হব,

তেওঁ উপধাৰা (১)ৰ অৰ্থত এনে প্ৰাৰ্থী বা ভোটদাতাৰ নিৰ্বাচন অধিকাৰৰ মুক্ত প্ৰয়োগত হস্তক্ষেপ কৰা বুলি গণ্য কৰা হব।

(৩) লোক নীতিৰ ঘোষণা বা লোক ব্যৱস্থাৰ প্ৰতিশ্ৰুতি বা কোনো নিৰ্বাচন অধিকাৰত হস্তক্ষেপ কৰাৰ অভিপ্ৰায় বিনা, কেৱল কোনো বৈধ অধিকাৰৰ প্ৰয়োগ, এই ধাৰাৰ অৰ্থত হস্তক্ষেপ বুলি গণ্য কৰা নহব।

**নিৰ্বাচনবোৰত প্ৰতিৰূপণ।**

১৭১ ঘ। যিয়েই কোনো নিৰ্বাচনত কোনো অন্য ব্যক্তিৰ নামত, সেই ব্যক্তি মৃতই হওঁক বা জীৱিতই হওঁক, বা কোনো কল্পিত নামেৰে, ভোট পত্ৰৰ কাৰণে আবেদন কৰে বা ভোটদান কৰে বা এনে নিৰ্বাচনত ভোট দান কৰাৰ পিচত সেই একে নিৰ্বাচনত নিজৰ নামত ভোট পত্ৰৰ বাবে আবেদন কৰে, বা এনে নিৰ্বাচনত ভোট দান কৰাৰ পিচত সেই একে নিৰ্বাচনত নিজৰ নামত ভোট পত্ৰৰ বাবে আবেদন কৰে আৰু যিয়ে অন্য ব্যক্তিক এনে কোনো প্ৰকাৰে ভোট দানৰ বাবে অপপ্ৰেৰণা দিয়ে, যোগাৰ কৰে বা যোগাৰ কৰাৰ প্ৰয়াস কৰে, তেওঁ নিৰ্বাচনত প্ৰতিৰূপণ কৰাৰ অপৰাধ সংঘটন কৰেঃ

[১][পৰন্তু এই ধাৰাত থকা কোনো কথাই তৎসময় বলবৎ থকা কোনো বিধিৰ অধীনত এজন ভোটদাতাৰ বাবে জেন প্ৰতিপত্ৰী ৰূপে ভোট দিবলৈ প্ৰাধিকৃত হোৱা কোনো ব্যক্তিলৈ প্ৰযোজ্য নহব যি পৰ্য্যন্ত তেওঁ এনে ভোটদাতাৰ বাবে এজন প্ৰতিপত্ৰী ৰূপে ভোট দিয়ে।]

**ভেটিৰ বাবে দণ্ড।**

১৭১ ঙ। যিয়ে ভেটিৰ অপৰাধ সংঘটন কৰে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে যাৰ অৱধি এক বছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে বা জৰিমনাৰে বা উভয়ৰে দণ্ডিত হব ঃ

পৰন্তু আপ্যায়ন হিচাবে দিয়া ভেটি কেৱল জৰিমনাৰে দণ্ডিত হব।

**স্পষ্টীকৰণ** - "আপ্যায়নে" এ সেই ধৰণৰ ভেটিক বুজায় যি পৰিতোষণ, খাদ্য, পানীয়, মনোৰঞ্জন বা ৰচদৰ ৰূপত থাকে।

---

১। নিৰ্বাচন বিধি (সংশোধন) অধিনিয়ম, ২০০৩ৰ ধাৰা ৫ ৰ দ্বাৰা ধাৰা ১৭১ ঘৰ পিচত অন্তঃস্থাপিত (২০০৩ ৰ ২৪ নং অধিনিয়ম)।

নিৰ্বাচনত অনুচিত প্ৰভাৱ পেলোৱা বা প্ৰতিৰূপণৰ বাবে দণ্ড।

১৭১ চ। যিয়ে, কোনো নিৰ্বাচনত অনুচিত প্ৰভাৱ পেলোৱা বা প্ৰতিৰূপণৰ অপৰাধ কৰে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে যাৰ অৱধি এবছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে, বা জৰিমনাৰে বা উভয়ৰে দণ্ডিত হব।

নিৰ্বাচন সম্পৰ্কে মিছা বিবৃতি।

১৭১ ছ। যিয়ে, নিৰ্বাচনৰ ফলাফলৰ ওপৰত প্ৰভাৱ পেলোৱাৰ অভিপ্ৰায়েৰে কোনো প্ৰাৰ্থীৰ ব্যক্তিগত চৰিত্ৰ বা আচৰণ সম্বন্ধে তথ্যৰ বিবৃতি বুলি তাৎপৰ্য্যিত কোনো এনে বিবৃতি দিয়ে বা প্ৰকাশিত কৰে, যিটো মিছা বা যিটো তেওঁ মিছা বুলি জানে বা বিশ্বাস কৰে বা যিটো তেওঁ সত্য বুলি বিশ্বাস নকৰে, তেওঁ জৰিমনাৰে দণ্ডিত হ'ব।

নিৰ্বাচন সম্পৰ্কত অবৈধ আদায়।

১৭১ জ। যিয়ে, কোনো প্ৰাৰ্থীৰ সাধাৰণ বা বিশেষ লিখিত প্ৰাধিকাৰ বিনা এনে প্ৰাৰ্থীৰ নিৰ্বাচন অগ্ৰসৰ কৰা বা নিৰ্বাচন কৰাই দিয়াৰ বাবে কোনো ৰাজহুৱা সভা অনুষ্ঠিত কৰা বা কোনো বিজ্ঞাপন. পৰিপত্ৰ বা প্ৰকাশনৰ বাবে বা যিয়েই নহওঁক অন্য কোনো ধৰণে ব্যয় কৰে, বা ব্যয় কৰাৰ বাবে প্ৰাধিকৃত কৰে, তেওঁ জৰিমনাৰে যি পাঁচশ টকা পৰ্য্যন্ত বিস্তাৰিত হব পাৰে দণ্ডিত হবঃ

পৰন্তু, যদি কোনো ব্যক্তিয়ে যিজনে প্ৰাধিকাৰ বিনা দহ টকাৰ পৰিমানতকৈ অধিক নোহোৱা এনে ব্যয় কৰা তাৰিখৰ পৰা দহ দিনৰ ভিতৰত সেই প্ৰাৰ্থীৰ পৰা লিখিত অনুমোদন লাভ কৰে, তেন্তে তেওঁ এনে ব্যয় প্ৰাৰ্থীৰ প্ৰাধিকাৰসহ কৰা বুলি গণ্য কৰা হব।

নিৰ্বাচনৰ হিচাপ ৰখাত অসফলতা।

১৭১ ঝ। যিয়ে, তৎসময় বলবৎ থকা বিধিৰ দ্বাৰা বা বিধিৰ বল থকা কোনো নিয়মৰ দ্বাৰা তেওঁ নিৰ্বাচনত বা নিৰ্বাচন সম্পৰ্কে কৰা ব্যয়ৰ হিচাপ ৰখাৰ বাবে অপেক্ষিত হয়, এনে হিচাপ ৰখাৰ বাবে অসফল হলে, তেওঁ জৰিমনাৰে, যি পাচশ টকা পৰ্য্যন্ত বিস্তাৰিত হব পাৰে, দণ্ডিত হব।]

## অধ্যায় ১০

### লোক সেৱকৰ বিধি সন্মত প্ৰাধিকাৰৰ অৱমাননাৰ বিষয়ে

চমন জাৰিকৰণ বা আন কাৰ্য্যবাহী এৰাবলৈ পলায়ন কৰা।

১৭২। যিয়েই কোনো এনে লোক সেৱকৰ দ্বাৰা দিয়া চমন, সূচনা বা আদেশৰ জাৰিকৰণ এৰাবলৈ পলায়ন কৰে, যি এনে লোক সেৱক ৰূপে তেনে চমন, সূচনা বা আদেশ দিয়াৰ বাবে বৈধ ৰূপে সক্ষম, তেওঁ বিনাশ্ৰম কাৰাবাসৰে যাৰ অৱধি এমাহলৈ বিস্তাৰিত হব পাৰে বা জৰিমনাৰে যি পাঁচশ টকালৈকে বিস্তাৰিত হব পাৰে, বা উভয়ৰে, দণ্ডিত হ'ব,

বা যদিহে চমন, সূচনা বা আদেশ কোনো ন্যায়ালয়ত স্বয়ং বা অভিকৰ্ত্তাৰ দ্বাৰা হাজিৰ হবলৈ বা কোনো দস্তাৱেজ [1][বা ইলেকট্ৰনিক ৰেকৰ্ড] উপস্থাপন কৰিবলৈ কৰা হয়, তেন্তে তেওঁ বিনাশ্ৰম কাৰাবাসৰে যাৰ অৱধি ছমাহ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে বা জৰিমনাৰে যি এহেজাৰ টকা পৰ্য্যন্ত বিস্তাৰিত হব পাৰে বা উভয়ৰে, দণ্ডিত হব।

চমন জাৰিকৰণ বা আন কাৰ্য্যবাহীৰ নিবাৰণ কৰা বা সেইবোৰৰ প্ৰকাশন নিবাৰণ কৰা।

১৭৩। যিয়েই, কোনো লোক সেৱকৰ দ্বাৰা যি তেনে লোক সেৱক ৰূপে চমন, সূচনা বা আদেশ জাৰি কৰিবলৈ বৈধ ৰূপে সক্ষম হয়, কোনো চমন, সূচনা বা আদেশৰ তেওঁৰ নিজৰ ওপৰত, বা আন কোনো ব্যক্তিৰ ওপৰত জাৰিকৰণ যি কোনো প্ৰকাৰে অভিপ্ৰায় সহ নিবাৰণ কৰে,

বা তেনে কোনো চমন, সূচনা বা আদেশ যি কোনো স্থানত বিধিসন্মত ভাবে লগাই দিয়াটো অভিপ্ৰায়সহ নিবাৰণ কৰে,

বা, তেনে কোনো চমন, সূচনা বা আদেশ সেইখন বিধি সন্মত ভাবে লগাই দিয়া যি কোনো স্থানৰ পৰা অভিপ্ৰায় সহ আতৰাই দিয়ে,

---

১। তথ্য প্ৰযুক্তি বিজ্ঞান অধিনিয়ম ২০০০ ৰ প্ৰথম অনুসূচীৰ ধাৰা ৩ ৰ দ্বাৰা "দস্তাৱেজ"ৰ স্থানত প্ৰতিস্থাপিত (২০০০ ৰ ২১ নং অধিনিয়ম)।

বা কোনো এনে লোক সেৱকৰ প্ৰাধিকাৰাধীন কৰা কোনো উদ্‌ঘোষণা বিধি পূৰ্বক দিয়াটো অভিপ্ৰায়সহ নিবাৰণ কৰে যি এনে লোক সেৱকৰূপে এনে উদ্‌ঘোষণা কৰাৰ নিৰ্দেশ কৰাটো বৈধ ৰূপে সক্ষম।

তেওঁ বিনাশ্ৰম কাৰাবাসৰে যাৰ অৱধি এমাহলৈ বিস্তাৰিত হব পাৰে বা জৰিমনাৰে যি পাঁচশ টকালৈ বিস্তাৰিত হব পাৰে বা উভয়ৰে দণ্ডিত হ'ব,

বা, যদিহে চমন, সূচনা, আদেশ বা উদঘোষণা কোনো ন্যায়ালয়ত স্বয়ং বা অভিকৰ্ত্তাৰ দ্বাৰা হাজিৰ হোৱাৰ বাবে, বা কোনো দস্তাৱেজ [1][বা ইলেকট্ৰনিক ৰেকৰ্ড] উপস্থাপন কৰিবলৈ কৰা হয়, তেন্তে তেওঁ বিনাশ্ৰম কাৰাবাসৰে যাৰ অৱধি ছমাহ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে বা জৰিমনাৰে যি এহেজাৰ টকা পৰ্য্যন্ত বিস্তাৰিত হব পাৰে বা উভয়ৰে, দণ্ডিত হব।

লোক সেৱকৰ আদেশ পালন কৰি গৰ হাজিৰ থকা।

১৭৪। যিয়েই, কোনো লোক সেৱকৰ পৰা দিয়া চমন, সূচনা, আদেশ বা উদ্‌ঘোষণাৰ পালনত যি ইয়াক দিবলৈ বৈধ ৰূপে সক্ষম কোনো নিৰ্দ্দিষ্ট স্থানত আৰু সময়ত স্বয়ং বা অভিকৰ্ত্তাৰ দ্বাৰা হাজিৰ হবলৈ বৈধ ভাবে আৱদ্ধ হৈও, সেই স্থান বা সময়ত হাজিৰ হবলৈ অভিপ্ৰায় সহ ক্ৰটী কৰে, বা তেওঁ হাজিৰ হবলৈ আৱদ্ধ হোৱা স্থানৰ পৰা তেওঁৰ বাবে প্ৰস্থান কৰিবলৈ বিধি সন্মত হোৱা সময়ৰ পূৰ্বে প্ৰস্থান কৰে,

তেওঁ বিনাশ্ৰম কাৰাবাসৰে যাৰ অৱধি এমাহ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে বা জৰিমনাৰে যি পাঁচশ টকা পৰ্য্যন্ত বিস্তাৰিত হব পাৰে বা উভয়ৰে দণ্ডিত হব,

যদিহে চমন, সূচনা, আদেশ বা উদ্‌ঘোষণা স্বয়ং বা অভিকৰ্ত্তাৰ দ্বাৰা কোনো ন্যায়ালয়ত হাজিৰ হোৱাৰ বাবে হয়, তেন্তে তেওঁ বিনাশ্ৰম কাৰাবাসৰে যাৰ অৱধি ছমাহ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে, বা জৰিমনাৰে যি এহেজাৰ টকা পৰ্য্যন্ত বিস্তাৰিত হব পাৰে বা উভয়ৰে দণ্ডিত হব।

### দৃষ্টান্ত সমূহ

(ক) "ক" ই কলিকতা [2][উচ্চ ন্যায়ালয়] ৰ দ্বাৰা দিয়া সপীনাৰ পালনত সেই ন্যায়ালয়ৰ সন্মুখত উপস্থিত হবলৈ বৈধ ৰূপে আৱদ্ধ হৈও, তেওঁ উপস্থিত হোৱাত অভিপ্ৰায়সহ ক্ৰটী কৰিলে। "ক"ই এই ধাৰাত পৰিভাষিত অপৰাধটো সংঘটিত কৰিলে।

(খ) "ক" ই [3][জিলা ন্যায়াধীশ]ৰ দ্বাৰা দিয়া চমনৰ পালনত, সাক্ষী ৰূপে, সেই [3][ জিলা ন্যায়াধীশৰ] সন্মুখত উপস্থিত হবলৈ বৈধ ৰূপে আৱদ্ধ হৈও, "ক" ই উপস্থিত হোৱাত অভিপ্ৰায় সহ ক্ৰটী কৰিলে "ক"ই এই ধাৰাত পৰিভাষিত অপৰাধটো সংঘটিত কৰিলে।

১৯৭৪ ৰ অধিনিয়ম ২ৰ ধাৰা ৮২ৰ অধীনত এটা উদ্‌ঘোষণাৰ প্ৰতিক্ৰিয়াত অনুপস্থিতি।

[4][১৭৪ ক। যিজনেই দণ্ড প্ৰক্ৰিয়া সংহিতা ১৯৭৩ ৰ ধাৰা ৮২ৰ উপধাৰা (১)ৰ অধীনত প্ৰকাশিত এটা উদ্ ঘোষণাৰ দ্বাৰা অপেক্ষিত কৰা দৰে বিনিৰ্দিষ্ট স্থান বা বিনিৰ্দিষ্ট সময়ত উপস্থিত থাকিবলৈ অসফল হয়, তেওঁ কাৰাবাসেৰে যাৰ অৱধি তিনি বছৰলৈ বিস্তাৰিত হব পাৰে বা জৰিমনাৰে বা উভয়েৰে দণ্ডিত হব, আৰু য'ত সেই ধাৰাৰ উপধাৰা ৪ৰ অধীনত তেওঁক উদ্‌ঘোষিত অপৰাধী বুলি উচ্চাৰিত কৰি এটা ঘোষণা কৰা হয়, তেওঁ কাৰাবাসেৰে যাৰ অৱধি সাত বছৰলৈ বিস্তাৰিত হব পাৰে দণ্ডিত হব আৰু জৰিমনাৰ বাবেও দায়ী হব"।]

---

১। তথ্য প্ৰযুক্তি বিজ্ঞান অধিনিয়ম ২০০০ ৰ প্ৰথম অনুসূচীৰ ধাৰা ৪ৰ দ্বাৰা "দস্তাৱেজ"ৰ স্থানত প্ৰতিষ্ঠাপিত (২০০০ ৰ ২১ নং অধিনিয়ম)।

২। অনুকূলন আদেশ, ১৯৫০ৰ দ্বাৰা "উচ্চতম ন্যায়ালয়" ৰ বাবে প্ৰতিষ্ঠাপিত।

৩। অনুকূলন আদেশ ১৯৫০ৰ দ্বাৰা "জিলা ন্যায়াধীশ"ৰ বাবে প্ৰতিষ্ঠাপিত।

৪। ২০০৫ চনৰ ২৫ নং অধিনিয়মৰ ধাৰা ৪৪ ৰ দ্বাৰা অন্তঃস্থাপিত।

দস্তাৱেজ উপস্থাপন কৰিবলৈ বিধিৰ দ্বাৰা আবদ্ধ হোৱা ব্যক্তিৰ দ্বাৰা লোক সেৱকৰ আগত ইয়াক উপস্থাপন কৰাত ত্ৰুটী।

১৭৫। যিয়ে, কোনো লোক সেৱকক এনে লোক সেৱক ৰূপে কোনো দস্তাৱেজ [১][বা ইলেকট্ৰনিক ৰেকৰ্ড] উপস্থাপন কৰিবলৈ বা দাখিল দিবলৈ, বৈধ ৰূপে আবদ্ধ হৈও, সেইখন তেনেদৰে উপস্থাপন কৰাত বা পৰিদত্ত কৰাত অভিপ্ৰায় সহ ত্ৰুটী কৰে, তেওঁ বিনাশ্ৰম কাৰাবাসৰে যাৰ অৱধি এমাহ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে, বা জৰিমনাৰে যি পাঁচশ টকা লৈকে বিস্তাৰিত হব পাৰে বা উভয়ৰে, দণ্ডিত হ'ব,

বা, যদিহে দস্তাৱেজখন [১][বা ইলেকট্ৰনিক ৰেকৰ্ড] কোনো ন্যায়ালয়ত উপস্থাপন কৰিব বা পৰিদত্ত কৰিবলগীয়া হয়, তেন্তে তেওঁ বিনাশ্ৰম কাৰাবাসৰে যাৰ অৱধি ছমাহ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে বা জৰিমনাৰে যি এহেজাৰ টকা পৰ্য্যন্ত বিস্তাৰিত হব পাৰে, বা উভয়ৰে দণ্ডিত হব।

### দৃষ্টান্ত

"ক" ই এখন [২][জিলা ন্যায়ালয়] ত এখন দস্তাৱেজ উপস্থাপন কৰিবলৈ বৈধ ৰূপে আবদ্ধ হৈও, সেইখন উপস্থাপন কৰিবলৈ অভিপ্ৰায়সহ ত্ৰুটী কৰিলে। "ক"ই এই ধাৰাত পৰিভাষিত অপৰাধটো সংঘটিত কৰিলে।

সূচনা বা সংবাদ দিবলৈ বৈধৰূপে আবদ্ধ ব্যক্তিৰ দ্বাৰা লোক সেৱকক সূচনা বা সংবাদ দিয়াত ত্ৰুটী।

১৭৬। যিয়েই, কোনো লোক সেৱকক এনে লোকসেৱকৰ ৰূপত কোনো বিষয়ৰ, কোনো সূচনা বা সংবাদ দিবলৈ, বৈধৰূপে আবদ্ধ হৈও, বিধিৰ দ্বাৰা অপেক্ষিত ধৰণে আৰু সময়ত তেনে সূচনা বা সংবাদ দিবলৈ অভিপ্ৰায় সহ ত্ৰুটী কৰে, তেওঁ বিনাশ্ৰম কাৰাবাসৰে যাৰ অৱধি এমাহ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে বা জৰিমনাৰে যি পাঁচশ টকালৈ বিস্তাৰিত হব পাৰে বা উভয়ৰে দণ্ডিত হব,

বা, যদিহে দিবলৈ অপেক্ষিত হোৱা সূচনা বা সংবাদটো কোনো অপৰাধৰ সংঘটন সম্পৰ্কে হয়, বা কোনো অপৰাধত সংঘটন নিবাৰণাৰ্থে বা কোনো অপৰাধীক কৰায়ত্ত কৰাৰ বাবে অপেক্ষিত হয়, তেন্তে তেওঁ বিনাশ্ৰম কাৰাবাসৰে যাৰ অৱধি ছমাহ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে বা জৰিমনাৰে যি এহেজাৰ টকা পৰ্য্যন্ত বিস্তাৰিত হব পাৰে বা উভয়েৰে, দণ্ডিত হ'ব,

[৩][বা, যদিহে দিবলৈ অপেক্ষিত হোৱা সূচনা বা সংবাদটো দণ্ড প্ৰক্ৰিয়া সংহিতা, ১৮৯৮ ৰ ধাৰা ৫৬৫ৰ উপধাৰা (১)ৰ অধীনত দিয়া আদেশৰ দ্বাৰা অপেক্ষিত হয়, তেন্তে তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে যাৰ অৱধি ছমাহ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে বা জৰিমনাৰে যি এহেজাৰ টকা পৰ্য্যন্ত বিস্তাৰিত হব পাৰে, বা উভয়ৰে দণ্ডিত হব।]

মিছা সংবাদ দিয়া।

১৭৭। যিয়ে, কোনো লোক সেৱকক, এনে লোক সেৱকৰ ৰূপত কোনো বিষয়ত সংবাদ দিবলৈ বৈধ ৰূপে আবদ্ধ হৈও, উক্ত বিষয়টোৰ ওপৰত সত্যৰূপে, এনে সংবাদ দিয়ে, যিটো তেওঁ মিছা বুলি জানে বা যিটো মিছা বুলি বিশ্বাস কৰিবলৈ তেওঁৰ কাৰণ আছে, তেওঁ বিনাশ্ৰম কাৰাবাসৰে যাৰ অৱধি ছমাহ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে বা জৰিমনাৰে যি এহেজাৰ টকা পৰ্য্যন্ত বিস্তাৰিত হব পাৰে বা উভয়ৰে, দণ্ডিত হব,

বা, যদিহে সংবাদটো, যিটো দিবলৈ তেওঁ বৈধ ৰূপে আবদ্ধ হৈছে, কোনো অপৰাধৰ সংঘটন সম্পৰ্কে হয়, বা কোনো অপৰাধৰ সংঘটন নিবাৰণাৰ্থে, বা কোনো অপৰাধীক কৰায়ত্ত কৰাৰ বাবে অপেক্ষিত হয়, তেন্তে তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে যাৰ অৱধি দুবছৰলৈ বিস্তাৰিত হব পাৰে, বা জৰিমনাৰে, যি এহেজাৰ টকা পৰ্য্যন্ত বিস্তাৰিত হব পাৰে বা উভয়ৰে দণ্ডিত হব।

### দৃষ্টান্ত

(ক) এজন ভূস্বামী "ক" ই তেওঁৰ ভূসম্পদাৰ পৰিসীমাৰ ভিতৰত এটা হত্যা সংঘটনৰ বিষয়ে

---

১। তথ্য প্ৰযুক্তি বিজ্ঞান অধিনিয়ম ২০০০ ৰ প্ৰথম অনুসূচীৰ ধাৰা ৫ৰ দ্বাৰা দস্তাৱেজৰ স্থানত প্ৰতিষ্ঠাপিত (২০০০ ৰ ২১ নং অধিনিয়ম)।

২। অনুকূলন আদেশ ১৯৫০ৰ দ্বাৰা "জিলা ন্যায়াধীশ"ৰ বাবে প্ৰতিষ্ঠাপিত।

৩। ১৯৩৯ চনৰ ২২ নং অধিনিয়মৰ ধাৰা ২ৰ দ্বাৰা সংযুক্ত কৰা।

জানিও, জিলা খনৰ দণ্ডাধীশক ইচ্ছাকৃত ভাবে মিছা সংবাদ দিলে যে সৰ্প দংশনৰ পৰিণামত দুৰ্ঘটনা ক্ৰমেহে মৃত্যু ঘটিছে। "ক" এই ধাৰাত পৰিভাষিত অপৰাধটোৰ বাবে দোষী।

(খ) এজন গাওঁৰ পহৰাদাৰ "ক"ই অচিনাকি ব্যক্তিৰ এটা দলে সমীপৱৰ্ত্তী এখন স্থানত বাস কৰা এজন ধনী সদাগৰ "জ"ৰ ঘৰত ডকাইটি কৰিবলৈ তেওঁৰ গাওঁখন অতিক্ৰম কৰি গৈছে বুলি জানিও, আৰু নিকটতম আৰক্ষী থানাৰ পদাধিকাৰী গৰাকীক উপৰোক্ত তথ্যৰ শীঘ্ৰে আৰু সময় মতে সূচনা দিবলৈ বঙ্গ সংহিতাৰ ১৮২১ৰ [১]বিনিয়ম iii ৰ ধাৰা viiৰ খণ্ড ৫ৰ অধীনত আৱদ্ধ হৈও, ইচ্ছাকৃত ভাবে আৰক্ষী পদাধিকাৰীক মিছা সংবাদ দিলে যে সন্দেহজনক ব্যক্তিৰ এটা দলে পৃথক দিশ এটাত নিৰ্দ্দিষ্ট দূৰৱৰ্ত্তী এখন স্থানত ডকাইটি কৰাৰ উদ্দেশ্যে গাওখন অতিক্ৰম কৰি গৈছে, এই ক্ষেত্ৰত "ক" এই ধাৰাৰ পৰবৰ্ত্তী অংশত পৰিভাষিত অপৰাধটোৰ বাবে দোষী।

[২][**স্পষ্টীকৰণ** - ধাৰা ১৭৬ ত আৰু এই ধাৰাটোত "অপৰাধ" শব্দটোৱে [৩][ভাৰত] ৰ বাহিৰত যি কোনো স্থানত সংঘটিত যি কোনো কাৰ্য্য অন্তৰ্ভুক্ত কৰে যিটো কাৰ্য্য [৩][ ভাৰত] ত সংঘটিত হোৱা হেঁতেন, নিম্নোক্ত যি কোনোটো ধাৰাৰ অধীনত দণ্ডনীয় হলহেঁতেন, অৰ্থাৎ ৩০২, ৩০৪, ৩৮২, ৩৯২, ৩৯৩, ৩৯৪, ৩৯৫, ৩৯৬, ৩৯৭, ৩৯৮, ৩৯৯, ৪০২, ৪৩৫, ৪৩৬, ৪৪৯, ৪৫০, ৪৫৭, ৪৫৮, ৪৫৯, আৰু ৪৬০; আৰু "অপৰাধী" শব্দটোৱে এনে যি কোনো ব্যক্তিক অন্তৰ্ভুক্ত কৰে যিজন এনে যি কোনো কাৰ্য্যৰ বাবে দোষী হোৱা বুলি অভিকথিত হৈছে।]

**শপত গ্ৰহণ কৰিবলৈ বা প্ৰতিজ্ঞা কৰিবলৈ অস্বীকাৰ কৰা, যেতিয়া লোক সেৱকৰ দ্বাৰা সম্যক ৰূপে এনেকুৱা কাৰণে অপেক্ষিত হৈছে।**

১৭৮। যিয়ে, কোনো সত্য উক্তি কৰাৰ বাবে [৪][বা প্ৰতিজ্ঞাৰ]ৰ দ্বাৰা নিজকে আৱদ্ধ কৰিবলৈ অস্বীকাৰ কৰে, যেতিয়া ইয়াৰ দ্বাৰা নিজকে, এনেদৰে আৱদ্ধ কৰিবলৈ অপেক্ষা এনে লোক সেৱকৰ দ্বাৰা কৰা হয় যি এনেদৰে অপেক্ষা কৰিবলৈ বৈধ ৰূপে সক্ষম হয়, তেওঁ বিনাশ্ৰম কাৰাবাসৰে যাৰ অৱধি ছমাহ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে বা জৰিমনাৰে যি এহেজাৰ টকা পৰ্য্যন্ত বিস্তাৰিত হব পাৰে বা উভয়ৰে দণ্ডিত হব।

**প্ৰশ্ন কৰিবলৈ প্ৰাধিকৃত লোক সেৱকক উত্তৰ দিবলৈ অস্বীকাৰ কৰা।**

১৭৯। যিয়ে কোনো লোক সেৱকক কোনো বিষয়ৰ ওপৰত বৈধ ৰূপে আৱদ্ধ হৈও তেনে লোক সেৱকৰ দ্বাৰা তেনে লোকসেৱকৰ বৈধ ক্ষমতা সমূহৰ প্ৰয়োগত সেই বিষয়টোৰ সম্পৰ্কে তেওঁক সোধা কোনো প্ৰশ্নৰ উত্তৰ দিবলৈ অস্বীকাৰ কৰে, তেওঁ বিনাশ্ৰম কাৰাবাসৰে যাৰ অৱধি ছমাহ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে বা জৰিমনাৰে, যি এহেজাৰ টকা পৰ্য্যন্ত বিস্তাৰিত হব পাৰে বা উভয়ৰে দণ্ডিত হব।

**বিবৃতিত স্বাক্ষৰ কৰিবলৈ অস্বীকাৰ কৰা।**

১৮০। যিয়ে তেওঁৰ দ্বাৰা দিয়া কোনো এটা বিবৃতিত কোনো এনে লোক সেৱকৰ দ্বাৰা অপেক্ষিত হোৱাত যি ইয়াক অপেক্ষিত কৰিবলৈ বৈধৰূপে সক্ষম যে তেওঁ ইয়াত স্বাক্ষৰ কৰিব, উক্ত বিবৃতিত স্বাক্ষৰ কৰিবলৈ অস্বীকাৰ কৰে, তেওঁ বিনাশ্ৰম কাৰাবাসৰে যাৰ অৱধি তিনিমাহলৈ বিস্তাৰিত হব পাৰে, বা জৰিমনাৰে যি পাঁচশ টকা পৰ্য্যন্ত বিস্তাৰিত হব পাৰে, বা উভয়ৰে দণ্ডিত হব।

**শপত গ্ৰহণ কৰোৱা বা প্ৰতিজ্ঞা কৰোৱাৰ বাবে প্ৰাধিকৃত লোকসেৱকৰ বা ব্যক্তিৰ শপথ বা প্ৰতিজ্ঞাৰ ওপৰত মিথ্যা বিবৃতি।**

১৮১। যি কোনো লোক সেৱক বা কোনো অন্য ব্যক্তিৰ, যাক এনে শপত গ্ৰহণ কৰোৱা [৪][বা প্ৰতিজ্ঞা] কৰোৱাৰ বাবে বিধিৰ দ্বাৰা প্ৰাধিকৃত কৰা হয়, কোনো বিষয়ৰ ওপৰত সত্য বিবৃতি দিবলৈ শপত [৪][বা প্ৰতিজ্ঞা]ৰ দ্বাৰা বৈধৰূপে হৈও এনে লোক সেৱক বা পূৰ্বোক্ত অন্য ব্যক্তিক সেই বিষয়ৰ সম্বন্ধত কোনো এনে বিবৃতি দিয়ে, যি মিছা বা যিটো, হয়, তেওঁ মিছা বুলি জানে বা বা বিশ্বাস কৰে

---

১। ১৮৬২ ৰ ১৭ নং অধিনিয়মৰ দ্বাৰা নিৰসিত।

২। ১৮৯৪ চনত ৩নং অধিনিয়মৰ ধাৰা ৫ দ্বাৰা সংযুক্ত কৰা।

৩। "বৃটিছ ভাৰত" শব্দ সমূহ অনুকূলন আদেশ, ১৯৪৮, অনুকূলন আদেশ ১৯৫০ আৰু ১৯৫১ চনৰ ৩ নং অধিনিয়মৰ ধাৰা ৩ আৰু অনুসূচীৰ দ্বাৰা উপৰোক্ত ভাবে গঠিত হবলৈ ক্ৰমাগত ভাবে প্ৰতিষ্ঠাপিত হৈছে।

৪। ১৮৭৩ চনত ১০ নং অধিনিয়মৰ ধাৰা ১৫ ৰ দ্বাৰা অন্তঃস্থাপিত।

বা সঁচা বুলি বিশ্বাস নকৰে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে যাৰ অৱধি তিনি বছৰলৈ বিস্তাৰিত হব পাৰে দণ্ডিত হব আৰু জৰিমনাৰ বাবেও দায়ী হব।

মিছা সংবাদ এই অভিপ্ৰায় সহ দিয়া যাতে লোক সেৱকে নিজৰ বিধিসন্মত ক্ষমতাৰ আন ব্যক্তিৰ ক্ষতিৰ বাবে উপযোগ কৰে।

[1][১৮২। যিয়েই, কোনো লোক সেৱকক কোনো সংবাদ দিয়ে যিটো তেওঁ মিছা বুলি জানে বা বিশ্বাস কৰে এই অভিপ্ৰায়সহ দিয়ে যে তেওঁ কোনো লোক সেৱকক-

(ক) কোনো এনে কাম কৰিবলৈ বা কৰাত ত্ৰুটী কৰিবলৈ যিটো এনে লোক সেৱকে যদি এনে তথ্যসমূহ যিবিলাক সম্পৰ্কে এনে সংবাদ দিয়া হৈছে তথ্যৰ প্ৰকৃত অৱস্থা জ্ঞাত হলে, নকৰিলেহেঁতেন বা কৰিবলৈ ত্ৰুটী নকৰিলেহেঁতেন, বা

(খ) এনে লোক সেৱকৰ বিধিসন্মত ক্ষমতা কোনো ব্যক্তিৰ ক্ষতি বা বিৰক্তিৰ বাবে উপযোগ কৰিবলৈ,

প্ৰেৰিত কৰে বা এইটো সম্ভাব্য বুলি জানিও তেওঁ ইয়াৰ দ্বাৰা প্ৰেৰিত কৰে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে যাৰ অৱধি ছমাহলৈ বিস্তাৰিত হব পাৰে, বা জৰিমনাৰে যি এহেজাৰ টকালৈ বিস্তাৰিত হব পাৰে, বা উভয়ৰে দণ্ডিত হব।

**দৃষ্টান্ত সমূহ**

(ক) "ক" ই এজন দণ্ডাধীশক জনালে যে তেনে দণ্ডাধীশৰ অধীনস্থ আৰক্ষী পদাধিকাৰী "জ" কৰ্ত্তব্যৰ প্ৰতি অৱহেলা বা অসদাচাৰণৰ বাবে দোষী হৈছে, এইটো জানি শুনি দিয়ে যে এই সংবাদ মিছা আৰু এইটো সম্ভাব্য যে সেই সংবাদ ক্ৰমে সেই দণ্ডাধীশে "জ" ক বৰ্খাস্ত কৰিব "ক", ই এই ধাৰাত পৰিভাষিত অপৰাধটো কৰিছে।

(খ) "ক" ই এজন লোক সেৱকক মিছাকৈ জনালে যে "জ" ৰ এখন গোপনীয় স্থানত নিষিদ্ধ নিমখ আছে, তেনে সংবাদ অসত্য বুলি জানিও যে সেই সংবাদৰ পৰিনামত "জ" ৰ প্ৰাঙ্গনত তালাচী হোৱাৰ সম্ভাৱনা আছে। যাৰ ফলত "জ"ৰ বিৰক্তি হব পাৰে। "ক" ই এই ধাৰাত পৰিভাষিত অপৰাধটো কৰিছে।

(গ) "ক" ই মিছাকৈয়ে আৰক্ষী এজনক জনালে যে তেওঁক কোনো এখন নিৰ্দ্দিষ্ট গাওঁৰ ওচৰে পাজৰে অভ্যাঘাত কৰা হৈছে আৰু লুণ্ঠন কৰা হৈছে। তেওঁ কোনো ব্যক্তিক তেওঁৰ অভ্যাঘাতী বুলি উল্লেখ নকৰিলে, কিন্তু তেওঁ এইটো জানে যে এই সংবাদৰ পৰিনাম স্বৰূপে আৰক্ষীয়ে অনুসন্ধান কৰিব আৰু গাওঁখনত তালাচী চলাব যাৰ দ্বাৰা গাওঁবাসী সকলক বা তেওঁলোকৰ কিছুমানক বিৰক্তি কৰিব পাৰে। "ক" ই এই ধাৰাৰ অধীনৰ অপৰাধ এটা কৰিছে।

লোক সেৱকৰ বিধি সন্মত প্ৰাধিকাৰৰ দ্বাৰা সম্পত্তি লৈ যোৱাত প্ৰতিৰোধ।

১৮৩। যিয়ে, কোনো লোক সেৱকৰ দ্বাৰা বিধি সন্মত প্ৰাধিকাৰৰ দ্বাৰা কোনো সম্পত্তি লৈ যোৱাত প্ৰতিৰোধ কৰে, এই বুলি জানিও বা এইদৰে বিশ্বাস কৰিবলৈ কাৰণ থকা স্বত্বেও কৰে যে তেওঁ তেনে লোক সেৱক, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে যাৰ অৱধি ছমাহ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে বা জৰিমনাৰে যি এহেজাৰ টকা পৰ্য্যন্ত বিস্তাৰিত হব পাৰে বা উভয়ৰে দণ্ডিত হব।

লোক সেৱকৰ প্ৰাধিকাৰৰ দ্বাৰা বিক্ৰীৰ বাবে প্ৰস্তাৱিত সম্পত্তিৰ বিক্ৰীত বাধা দিয়া।

১৮৪। যিয়ে, কোনো লোক সেৱকৰ বিধি সন্মত প্ৰাধিকাৰৰ দ্বাৰা এনে লোক সেৱকৰূপে বিক্ৰীৰ বাবে প্ৰস্তাৱিত সম্পত্তিৰ বিক্ৰীত অভিপ্ৰায় সহ বাধাদান কৰে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে যাৰ অৱধি এমাহ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে বা জৰিমনাৰে যি পাঁচশ টকা পৰ্য্যন্ত বিস্তাৰিত হব পাৰে বা উভয়ৰে দণ্ডিত হব।

লোক সেৱকৰ প্ৰাধিকাৰৰ দ্বাৰা বিক্ৰীৰ বাবে প্ৰস্তাৱিত সম্পত্তিৰ বাবে অবৈধ ক্ৰয় বা ডাক।

১৮৫। যিয়ে, কোনো লোকসেৱকৰ দ্বাৰা কোনো সম্পত্তিৰ বিক্ৰীত যিটো লোক সেৱক ৰূপে বিধি সন্মত প্ৰাধিকাৰৰ দ্বাৰা অনুষ্ঠিত হয় তেওঁ নিজেই হওঁক বা আন কাৰোবাৰ বাবেই হওঁক কোনো এজন ব্যক্তিৰ বাবে কোনো সম্পত্তি ক্ৰয় কৰে বা ডাক দিয়ে, যিজনে সেই বিক্ৰীত সেই সম্পত্তিটো কোনো বিধিক অসমৰ্থতাৰ বাবে ক্ৰয় কৰিব নোৱাৰে বুলি তেওঁ জানে, বা তেনে সম্পত্তিৰ বাবে ডাক, তেনে

১। ১৯৯৫ চনৰ ৩ নং অধিনিয়মৰ ধাৰা ১ৰ দ্বাৰা মূল ধাৰাৰ বাবে প্ৰতিষ্ঠাপিত।

ডাকৰ দ্বাৰা তেওঁ নিজকে যিবোৰ দায়িত্বৰ অধীন কৰে, সেইবোৰ সম্পাদন কৰাৰ অভিপ্ৰায় বিনা, যিয়ে তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে যাৰ অৱধি এমাহ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে বা জৰিমনাৰে যি দুশ টকালৈকে বিস্তাৰিত হব পাৰে বা উভয়েৰে দণ্ডিত হব।

লোক কৃত্যসমূহৰ নিৰ্বহনত লোক সেৱকক বাধাদান কৰা।

১৮৬। যিয়ে, কোনো লোক সেৱকক তেওঁৰ লোককৃত্যসমূহৰ নিৰ্বহনত স্বেচ্ছাই বাধাদান কৰে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে যাৰ অৱধি তিনি মাহলৈ বিস্তাৰিত হব পাৰে বা জৰিমনাৰে যি পাঁচশ টকালৈকে বিস্তাৰিত হব পাৰে বা উভয়ৰে দণ্ডিত হব।

লোক সেৱকক সাহায্য দান কৰিবলৈ বিধিৰ দ্বাৰা আৱদ্ধ হৈও সাহায্য দান কৰাত ক্ৰটী কৰা।

১৮৭। যিয়ে, কোনো লোক সেৱকক তেওঁৰ লোক কৰ্ত্তব্য নিষ্পাদনত সাহায্য দিবলৈ বা কৰিবলৈ বিধিৰ দ্বাৰা আবদ্ধ হৈও তেনে সাহায্য দিবলৈ অভিপ্ৰায় সহ ক্ৰটী কৰে, বিনাশ্ৰম কাৰাবাসৰে যাৰ অৱধি এমাহ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে বা জৰিমনাৰে যি দুশ টকালৈকে বিস্তাৰিত হব পাৰে বা উভয়ৰে দণ্ডিত হব;

আৰু যদি কোনো ন্যায়ালয়ৰ দ্বাৰা বিধিসন্মত ভাৱে জাৰি কৰা কোনো আদেশিকা নিষ্পাদনৰ প্ৰয়োজনাৰ্থে তেওঁৰ পৰা তেনে সাহায্য এনে এজন লোক সেৱকৰ দ্বাৰা দাবী কৰা হয় যি তেনে দাবী কৰিবলৈ বৈধৰূপে সক্ষম বা কোনো অপৰাধ সংঘটনৰ প্ৰতিৰোধৰ বাবে, বা কোনো ডাঙ্গী বা হাঙ্গামা দমন কৰিবলৈ, বা এনে কোনো ব্যক্তিক কৰায়ত্ত কৰিবলৈ যিজন কোনো অপৰাধৰ বাবে দোষাৰোপিত বা দোষী হৈছে, বা যিজনে বিধিসন্মত অভিৰক্ষাৰ পৰা পলায়ন কৰিছে, তেওঁ বিনাশ্ৰম কাৰাবাসৰে যাৰ অৱধি ছমাহ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে বা জৰিমনাৰে যি পাঁচ শ টকা বিস্তাৰিত হব পাৰে বা উভয়েৰে দণ্ডিত হব।

লোক সেৱকৰ দ্বাৰা সম্যকৰূপে প্ৰখ্যাপিত আদেশ অৱজ্ঞা।

১৮৮। যিয়ে, এইটো জানি যে কোনো লোকসেৱকৰ দ্বাৰা প্ৰখ্যাপিত কোনো আদেশৰ দ্বাৰা, যি জন তেনে আদেশ প্ৰখ্যাপিত কৰিবলৈ বিধিসন্মত ভাৱে ক্ষমতাৰ্পিত হৈছে, তেওঁক কোনো কাৰ্য্য কৰাৰ পৰা বিৰত থাকিবলৈ বা তেওঁৰ দখলত বা তেওঁৰ পৰিচালনাধীনত থকা কোনো সম্পত্তিৰ বিষয়ত কোনো ব্যৱস্থা লবলৈ নিৰ্দেশ দিয়া হৈছে, তেনে নিৰ্দেশ অৱজ্ঞা কৰে;

তেওঁ, যদিহে তেনে অৱজ্ঞাই বিধিসন্মতভাৱে নিযুক্ত কোনো ব্যক্তিৰ প্ৰতি বাধা, কষ্ট বা ক্ষতি, বা বাধাৰ, কষ্টৰ বা ক্ষতিৰ আশঙ্কা জন্মায় বা জন্মোৱাৰ প্ৰবৃত্তি আছে তেন্তে তেওঁ বিনাশ্ৰম কাৰাবাসৰে যাৰ অৱধি এমাহলৈ বিস্তাৰিত হব পাৰে, বা জৰিমণাৰে যি দুশ টকা পৰ্য্যন্ত বিস্তাৰিত হব পাৰে, বা উভয়েৰে দণ্ডিত হব;

আৰু যদিহে তেনে অৱজ্ঞাই মানৱ জীৱন, স্বাস্থ্য বা সুৰক্ষাৰ প্ৰতি বিপদ ঘটায় বা ঘটোৱাৰ প্ৰবৃত্তি আছে বা ডাঙ্গী বা হাঙ্গামা ঘটায় বা ঘটোৱাৰ প্ৰবৃত্তি আছে, তেন্তে তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে যাৰ অৱধি ছমাহ পৰ্যন্ত বিস্তাৰিত হব পাৰে বা জৰিমণাৰে যি এহেজাৰ টকা পৰ্য্যন্ত বিস্তাৰিত হব পাৰে বা উভয়ৰে দণ্ডিত হব।

**স্পষ্টীকৰণ** - অপৰাধীজনে অনিষ্ট সাধনৰ অভিপ্ৰায় কৰাৰ বা তেওঁৰ অৱজ্ঞাৰ বাবে অনিষ্ট সাধিত হোৱা সম্ভাব্য বুলি অনুধ্যান কৰাৰ আৱশ্যক নাই। যিটো আদেশ তেওঁ অৱজ্ঞা কৰিছে সেইটোৰ বিষয়ে তেওঁ জনাটো আৰু তেওঁৰ অৱজ্ঞাই অনিষ্ট সাধন কৰিছে বা সাধন কৰাৰ সম্ভাৱনা আছে বুলি তেওঁ জনাটোৱে যথেষ্ট।

**দৃষ্টান্ত**

কোনো নিৰ্দ্দিষ্ট পথেৰে ধৰ্মীয় শোভা যাত্ৰা নাযাব বুলি নিৰ্দ্দেশ দিয়া এটা আদেশ, এনে আদেশ প্ৰখ্যাপিত কৰিবলৈ বিধিসন্মত ভাৱে ক্ষমতাৰ্পিত কোনো লোক সেৱকৰ দ্বাৰা প্ৰখ্যাপিত কৰা হৈছে। "ক" ই জানি শুনি সেই আদেশ অৱজ্ঞা কৰিলে "ক" ই এই ধাৰাত পৰিভাষিত অপৰাধটো সংঘটিত কৰিলে।

লোক সেৱকৰ ক্ষতিৰ ভাবুকি।

১৮৯। যিয়ে, কোনো লোক সেৱকক বা সেই লোক সেৱকৰ সৈতে স্বাৰ্থ জড়িত বুলি তেওঁ বিশ্বাস

কৰা এনে কোনো ব্যক্তিক , এই প্ৰয়োজনত ক্ষতিৰ কোনো ভাবুকি দিয়ে যে সেই লোক সেৱকক উৎপ্ৰেৰিত কৰা হয় যাতে তেওঁ এনে লোক সেৱকৰ কৃত্যসমূহৰ প্ৰয়োগ সম্পৰ্কিত কোনো কাৰ্য্য কৰে, বা কৰাৰ পৰা বিৰত থাকে বা কৰাত বিলম্ব কৰে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে যাৰ অৱধি দুই বছৰলৈ বিস্তাৰিত হব পাৰে, বা জৰিমণাৰে বা উভয়েৰে দণ্ডিত হব।

লোক সেৱকৰ সুৰক্ষাৰ বাবে আবেদন কৰাৰ পৰা বিৰত থাকিবলৈ কোনো ব্যক্তিক উৎপ্ৰেৰিত কৰাৰ নিমিত্তে ক্ষতিৰ ভাবুকি।

১৯০। যিয়ে, কোনো ব্যক্তিক এনে প্ৰয়োজনৰ বাবে ক্ষতিৰ ভাবুকি দিয়ে যে সেই ব্যক্তিজনক উৎপ্ৰেৰিত কৰে যাতে তেওঁ কোনো ক্ষতিৰ সুৰক্ষাৰ বাবে কোনো বৈধ আবেদন কোনো লোকসেৱকক কৰাৰ পৰা বিৰত বা ক্ষান্ত থাকে যি এনে লোক সেৱক ৰূপে তেনে সুৰক্ষা দিবলৈ বা তেনে সুৰক্ষা দিয়াবলৈ ক্ষমতাৰ্পিত হয় তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসৰে যাৰ অৱধি এবছৰ পৰ্য্যন্ত বিস্তাৰিত হব পাৰে, বা জৰিমণাৰে বা উভয়েৰে দণ্ডিত হব।

## অধ্যায় ১১

### মিছা সাক্ষ্য আৰু লোক ন্যায়ৰ বিৰুদ্ধে অপৰাধবোৰৰ বিষয়ে

মিছা সাক্ষ্য দিয়া।

১৯১। যিয়ে, শপতৰ দ্বাৰা বা বিধিৰ কোনো ব্যক্ত উপবন্ধৰ দ্বাৰা সত্য বিবৃত কৰিবলৈ বৈধৰূপে আৱদ্ধ হৈ বা কোনো বিষয়ৰ ওপৰত এটা ঘোষণা কৰিবলৈ বিধিৰ দ্বাৰা আৱদ্ধ হৈ এনে কোনো বিবৃতি দিয়ে যিটো মিছা, আৰু যিটো, হয়, তেওঁ মিছা বুলি জানে বা বিশ্বাস কৰে বা সত্য বুলি বিশ্বাস নকৰে, তেওঁক মিছা সাক্ষ্য দিয়া বুলি কোৱা হয়।

**স্পষ্টীকৰণ ১** — কোনো বিবৃতি মৌখিকেই হওঁক বা অন্যথাই দিয়া হওঁক এই ধাৰাৰ অৰ্থৰ অন্তৰ্গত।

**স্পষ্টীকৰণ ২** — অনুপ্ৰমাণিত কৰা ব্যক্তিজনৰ নিজৰ বিশ্বাস সম্পৰ্কে দিয়া মিছা বিবৃতি এটা এই ধাৰাৰ অৰ্থৰ অন্তৰ্গত আৰু কোনো ব্যক্তি যে মিছা সাক্ষ্য দিয়াৰ বাবে দোষী হব পাৰে এনেদৰে কৈ যে তেওঁ এটা কথা বিশ্বাস কৰে, যিটো তেওঁ বিশ্বাস নকৰে আৰু এনেদৰেও কৈ যে তেওঁ এটা কথা জানে যিটো তেওঁ নাজানে।

#### দৃষ্টান্তসমূহ

(ক) "জ" ৰ বিৰুদ্ধে "খ" ৰ এহেজাৰ টকাৰ বাবে থকা এটা ন্যায্য দাবীৰ সমৰ্থনত "ক" ই কোনো বিচাৰত মিছাকৈ শপত লৈ কয় যে "জ" ই "খ" ৰ দাবীৰ ন্যায্যতা স্বীকাৰ কৰা তেওঁ শুনিছিল। "ক" ই মিছা সাক্ষ্য দিছে।

(খ) শপতৰ দ্বাৰা সত্য কথা কবলৈ আৱদ্ধ হৈও "ক" ই ক'লে যে তেওঁ এটা নিৰ্দিষ্ট স্বাক্ষৰ "জ" ৰ হস্তাক্ষৰ বুলি বিশ্বাস কৰে, যদিও তেওঁ এইটো "জ" ৰ হস্তাক্ষৰ বুলি বিশ্বাস নকৰে ইয়াত "ক" ই তেওঁ যিটো মিছা বুলি জানে সেইটো ক'লে, আৰু সেই বাবে মিছা সাক্ষ্য দিলে।

(গ) "ক" ই "জ" ৰ হস্তাক্ষৰৰ সাধাৰণ লিপিৰ বিষয়ে জানিও নিৰ্দিষ্ট স্বাক্ষৰ এটা "জ" ৰ হস্তাক্ষৰ বুলি তেওঁ বিশ্বাস কৰে বুলি কলে; "ক" ই সদ্ভাৱ পূৰ্ব্বক এইটো তেনে হয় বুলি বিশ্বাস কৰে। ইয়াত "ক" ৰ বিবৃতিটো তেওঁৰ বিশ্বাস সম্পৰ্কেহে আৰু এইটো তেওঁৰ বিশ্বাসৰ সম্পৰ্কে সত্য, আৰু সেই বাবে, যদিও স্বাক্ষৰটো "জ" ৰ হস্তাক্ষৰ নহবও পাৰে, তথাপিও "ক" ই মিছা সাক্ষ্য দিয়া নাই।

(ঘ) "ক" ই সত্য কথা কবলৈ শপতৰ দ্বাৰা আৱদ্ধ হৈও বিষয়টো সম্পৰ্কে একোৱেই নজনাকৈ কলে যে এটা বিশেষ দিনত "জ" এটা বিশেষ স্থানত আছিল বুলি তেওঁ জানে। উল্লেখিত দিনত "জ" সেই স্থানত আছিল নে নাই সেই বিষয়ে "ক" ই মিছা সাক্ষ্য দিলে।